www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM


SUNDAY, NOVEMBER 24, 2024 ■ দেওবাৰ, ৮ আঘোণ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ৩২১ Guwahati, Assam ।। মূল্যঃ এটকা


## ছিদলী পুনৰ ইউপিপিএল দলৰ

**ই-সংবাদ, চিৰাং, ২৩ নৱেম্বৰঃ** চিৰাং জিলাৰ চিদলী বিধানসভা সমষ্টিৰ উপ নিৰ্বাচনত বিজেপিৰ ৫ পৃষ্ঠাত চাওক

## ঝাৰখণ্ডত ৪ মাহ থাকিও পদুম ফুলোৱাত ব্যৰ্থ হিমন্ত

### কামত নাহিল সাম্প্ৰদায়িক ভাষণ

জেএমএম জয়ী, কামত নাহিল হিমন্তৰ ভাষণ

**ই-সংবাদ, ২৩ নৱেম্বৰঃ** নিজ ৰাজ্য অসমত অপ্ৰতিৰোধ্য বিবেচিত ড০ হিমন্ত বিশ্ব শৰ্মাই দলে প্ৰথমবাৰলৈ দিয়া অভিযান সফল কৰাত বিফল হৈছে। ঝাৰখণ্ডত শেষাংশ ২ পৃষ্ঠাত

## ৱায়নাডত বৃহৎ জয়েৰে সংসদলৈ প্ৰিয়ংকা গান্ধী



**ৱায়নাড, ২৩ নৱেম্বৰঃ** প্ৰাক্তন প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ তৃতীয়গৰাকী শেষাংশ ৫ পৃষ্ঠাত

## মেঘালয়ত উপ-নিৰ্বাচনত জয়ী কনৰাডৰ পত্নী



**ই-সংবাদ, ২৩ নৱেম্বৰঃ** লোকসভা নিৰ্বাচনৰ পিছতে দেশৰ দুখন শেষাংশ ২ পৃষ্ঠাত

## উপ-নিৰ্বাচনত পশ্চিমবংগ-কৰ্ণাটকত বিজেপি শূন্য ■ অসমত শূন্য কংগ্ৰেছ

# মহাৰাষ্ট্ৰত এনডিএ, ঝাৰখণ্ডত ইণ্ডিয়া



### ■ সহানুভূতি নাপালে উদ্ধৱ থাকৰে, শাৰদ পাৱাৰে ■ ঝাৰখণ্ডত কাৰাগাৰত কটোৱা হেমন্তই আনিলে হেমন্ত কাল

**নতুন দিল্লী, ২৩ নৱেম্বৰঃ** লোকসভা নিৰ্বাচনৰ ছমাহৰ ভিতৰতে উত্তৰ আৰু পশ্চিম ভাৰতৰ একেৰাহে দুখন ৰাজ্যত পুনৰ ৰাজনৈতিক আধিপত্য শেষাংশ ৭ পৃষ্ঠাত

### মহাৰাষ্ট্ৰ, মুঠঃ ২৮৮

বিজেপি- ১৩২, শিৱসেনা- ৫৭, এনচিপি- ৪১, শিৱসেনা ইউ- ২১, কংগ্ৰেছ- ১৬, এনচিপি এছ- ১০, এছপি- ২, অন্যান্য- ১০।

### ঝাৰখণ্ড, মুঠঃ ৮১

জেএমএম- ৩৪, কংগ্ৰেছ- ১৬, আৰজেডি- ৪, বিজেপি- ২১, চিপিআইএমএল- ২, অন্যান্য- ৩।

## আন দলক জয়ী কৰাই ফুৰা পিকে পৰাস্ত

### বিহাৰত ব্যৰ্থ জন সুৰজ

**পাটনা, ২৩ নৱেম্বৰঃ** লোকসভাই হওক বা বিধানসভা, আঁৰত থাকিয়েই একাধিক নিৰ্বাচনত বহু ৰাজনৈতিক শেষাংশ ৭ পৃষ্ঠাত

## ভূপেন বৰাৰ যুঁজিবলৈ মন লিলিত বহিলেহে হিলি যাব বিজেপি!



**ই-সংবাদ, ২৩ নৱেম্বৰঃ** ৫টা সমষ্টিৰ উপ-নিৰ্বাচনত এটাও জিকিব নোৱাৰাৰ পিছত দলীয় সংঘাত বৃদ্ধি পাইছে অসম প্ৰদেশ শেষাংশ ৪ পৃষ্ঠাত

## জয়ন্ত-পীযুষৰ আকৌ আক্ৰমণ

**ই-সংবাদ, ২৩ নৱেম্বৰঃ** চামগুৰি সমষ্টিত বিজেপিৰ দিপ্লুৰঞ্জন শৰ্মা জয়ী হোৱাত ৰকিবুল হুছেইনক শেষাংশ ৬ পৃষ্ঠাত

## আমানতৰ ধন হেৰুৱালে আপে

**ই-সংবাদ, ২৩ নৱেম্বৰঃ** আজি ঘোষিত ৫ বিধানসভাৰ উপ-নিৰ্বাচনৰ শেষাংশ ৬ পৃষ্ঠাত

## বিহালীৰ ধাবাত চাহ খোৱা নহ'ল গৌৰৱৰ, জয়ন্তই আকৌ বিজেপিলৈ ঘূৰিব বুলি চৰ্চা!

**ই-সংবাদ, গুৱাহাটী, ২৩ নৱেম্বৰঃ** যোৰহাট লোকসভা সমষ্টিত মানুহে যিদৰে গৌৰৱ গগৈৰ সপক্ষে ভোটদান কৰিছিল তাৰ বিপৰীত ছবি স্পষ্ট হৈ শেষাংশ ৪ পৃষ্ঠাত



## অখিল গগৈ গৰম, লুৰীণ নৰম, গৌৰৱৰ নাইকিয়া হ'ল ভ্ৰম

### ৩ গগৈৰ আকৌ তিনি মত

**ই-সংবাদ, গুৱাহাটী, ২৩ নৱেম্বৰঃ** অসমত ৫টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ ফলাফলৰ পিছতেই ২ আঞ্চলিক শক্তি অসম জাতীয় পৰিষদ আৰু শেষাংশ ৩ পৃষ্ঠাত

### মুছলমানৰ ভোটেৰে চামগুৰিত জয়ী বিজেপি

## তাঞ্জিল হুছেইনক হৰুৱাই দিপ্লুৱে কাঢ়িলে ৰকিবুলৰ দুৰ্গ

**ই-সংবাদ, গুৱাহাটী-পুৰণিগুদাম, ২৩ নৱেম্বৰঃ** অসমৰ ৰাজনীতিত যোৱা দুটা দশক ধৰি দপদপাই থকা ৰকিবুল শেষাংশ ৩ পৃষ্ঠাত



### দীপ্তিময়ীয়ে মাৰিলে হাঁহি

## বঙাইগাঁৱত দুৰ্গ অক্ষুন্ন ৰ'ল ফণীভূষণৰ

**ই-সংবাদ, ২৩ নৱেম্বৰঃ** বঙাইগাঁৱত আঞ্চলিকতাবাদৰ ভেটি অক্ষুন্ন ৰাখি সাংসদ ফণীভূষণ শেষাংশ ৬ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ঝাৰখণ্ডত ৪ মাহ থাকি পদুম ফুলোৱাত

লজ্জাজনকভাৱে বিধ্বস্ত হৈছে হিমন্ত বিশ্ব শৰ্মাৰ অভিযান। অসমৰ ৰাজনীতিৰ পাকৈত খেলুৱৈ বুলি সময় সময়ে প্ৰমাণ কৰি অহা হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যসভা, ৰাষ্ট্ৰপতিৰ নিৰ্বাচনতো বিধায়ক ক্ৰয় কৰি দলে দিয়া দায়িত্ব সফলতাৰে সম্পন্ন কৰিছে। বেলেগ ৰাজ্যত বিধায়ক কিনি নিজ দলৰ চৰকাৰ গঠন কৰাৱ পৰাকৈ পাৰদৰ্শী বুলি নাম আছে হিমন্ত বিশ্ব শৰ্মাৰ। ভঙা ভঙা হিন্দী কৈ ৰাষ্ট্ৰীয় ৰাজনীতিত খোপনি পুতিবলৈ প্ৰয়াস কৰা অসমৰ ৰাজনীতিৰ চাণক্য ড০ হিমন্ত বিশ্ব শৰ্মাক দলৰ শীৰ্ষ নেতৃত্বই প্ৰথমবাৰ ঝাৰখণ্ড ৰাজ্যৰ দলীয় সহঃতত্বাৱধায়ক কৰিছিল যদিও তত্বাৱধায়কৰ দৰেই সমস্ত দায়িত্ব হিমন্ত বিশ্ব শৰ্মায়েই পালন কৰিছিল। কিন্তু হিমন্ত বিশ্ব শৰ্মাৰ ঝাৰখণ্ড অভিযান বিফল হয়। আজি ঘোষিত ফলাফল অনুসৰি ঝাৰখণ্ডত ইণ্ডিয়া মিত্ৰজোঁটে ব্যাপক সংখ্যাগৰিষ্ঠতা লাভ কৰিছে। ইণ্ডিয়া মৰ্চাৰ ঝাৰখণ্ড মুক্তি মৰ্চা, কংগ্ৰেছ আৰু আৰজেডি-এ ৫৬ খন আসন লাভ কৰি চৰকাৰ গঠন কৰিবলৈ আগবাঢ়িছে। ৮১ খন আসন থকা ঝাৰখণ্ডত আজি ঘোষণিত ফলাফল অনুসৰি বিজেপি ২১, জেএমএম ৩৪, কংগ্ৰেছ ১৬, আৰজেডি ৪, চিপিআইএমএল ২, জেডিইউ ১, এজেএছইউ ১, লোক জনশক্তি পাৰ্টী ১, ঝাৰখণ্ড ক্ৰান্তিকাৰী মৰ্চাই এখন আসন লাভ কৰিছে। ঝাৰখণ্ডত বিজেপিৰ মিত্ৰজোঁট হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বতে হৈছিল আৰু আসনো নিজেই বিতৰণ কৰিছিল। বিহাৰৰ দল জনতা দল ইউনাইটেড, লোক জনশক্তি পাৰ্টি, ঝাৰখণ্ডৰ দল অল ঝাৰখণ্ড ষ্টুডেণ্টছ ইউনিয়ন আৰু বিজেপিয়ে মিত্ৰতা কৰিছিল। অল ঝাৰখণ্ড ষ্টুডেণ্টছ ইউনিয়নক ১০ খন, জনতা দল ইউনাইটেডক ২ খন, লোক জনশক্তি পাৰ্টিক এখন আসন এৰি দি বিজেপিয়ে ৬৮ খন আসনত প্ৰতিদ্বন্দ্বিতা কৰিছিল। কিন্তু এই মিত্ৰজোঁটক ধৰাশায়ী কৰি কংগ্ৰেছ নেতৃত্বধানী ইণ্ডিয়া মিত্ৰজোঁটে বৃহৎ সফলতা লাভ কৰিছে। বিজেপিৰ ঝাৰখণ্ডত পূৰ্বৰ নিৰ্বাচনতকৈ ফলাফল বেয়া হৈছে। হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত নিৰ্বাচন খেলি বিজেপি লজ্জাজনকভাৱে পৰাজিত হোৱাৰ খবৰে অসমতো চৰ্চা লাভ কৰিছে। হিন্দত্ববাদৰ নতুন পোষ্টাৰ বয় ৰূপে খ্যাত অসমৰ মুখ্যমন্ত্ৰীগৰাকীয়ে ঝাৰখণ্ডত অতি সাম্প্ৰদায়িক, ঘৃণা আৰু বৈষম্যৰ ৰাজনীতি কৰিছিল। ধৰ্ম বিশেষক টাৰ্গেট কৰি লৈছিল। ভাষণৰ আৰম্ভণিৰ পৰা শেষলৈকে কেৱল ধৰ্ম বিশেষক গালি পাৰিছিল। অসমৰ আৰ্হিৰে ঝৰাখণ্ডত মুছলমান বাংলাদেশীৰ প্ৰসংগ টানি নি বাংলাদেশী বহিস্কাৰ কৰাৰ প্ৰতিশ্ৰুতি দিছিল। কেৱল হিন্দু-মুছলমান কৰিছিল ড০ শৰ্মাই। ড০ হিমন্ত বিশ্ব শৰ্মাই যোৱা ছেপ্টেম্বৰ মাহৰ পৰাই ঝাৰখণ্ডত ব্যস্ত হৈ পৰিছিল। ঝাৰখণ্ডত ড০ শৰ্মাই অসম এৰি প্ৰায় ৪ মাহ ধৰি বাহৰ পাতিছিল। এদিন অসমত, দুদিন ঝাৰখণ্ডত অতিবাহিত কৰি হিমন্ত বিশ্ব শৰ্মাই নিতৌ দলীয় সভা, দলীয় বৈঠক কৰি গৈছিল। বিৰোধীৰ বহু নেতাক নিজৰ দললৈ আনিছিল। ঝাৰখণ্ডৰ প্ৰাক্তন মুখ্যমন্ত্ৰী চম্পাই চোৰেণক বিজেপিত যোগদান কৰাইছিল। লগতে দিল্লীৰ পৰা ৰাজ্যখনলৈ প্ৰচাৰৰ বাবে অহা শীৰ্ষ নেতাক সংগ দিছিল। দীৰ্ঘসময় ঝাৰখণ্ডৰ নিৰ্বাচনত ওতঃপ্ৰোতভাৱে জড়িত হৈ পৰা হিমন্ত বিশ্ব শৰ্মাই দলে দিয়া দায়িত্ব গুৰুত্বসহকাৰে পালন কৰিছিল যদিও সফলতা লাভ কৰিব নোৱাৰিলে। ঝাৰখণ্ডত সাম্প্ৰদায়িক ৰাজনীতিৰ সকলো সীমা অতিক্ৰম কৰি হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যখনৰ আবহাৱা ধুঁৱলী-কুঁৱলী কৰি পেলাইছিল। ঝাৰখণ্ডৰ সমস্ত দায়িত্ব অকলে পালন কৰা হিমন্ত বিশ্ব শৰ্মাই এই পৰাজয়ক সহজে ল'ব পৰা নাই। আজি পৰাজয়ৰ পিছতে সামাজিক মাধ্যমত দিয়া প্ৰতিক্ৰিয়াত এই পৰাজয় বেদনাদায়ক বুলি কয়। ড০ শৰ্মাই কয় "যদিও আমি অসমৰ পাঁচোটা সমষ্টিৰ উপ-নিৰ্বাচনত জয় লাভ কৰিছো, ব্যক্তিগতভাৱে ঝাৰখণ্ডৰ পৰাজয় মোৰ বাবে গভীৰ বেদনাদায়ক। মই ঝাৰখণ্ডত আমাৰ দলৰ কৰ্মকৰ্তাৰ নিষ্ঠা আৰু নিৰন্তৰ প্ৰয়াস দেখিছো। কৰ্মকৰ্তাই নিৰ্বাচনত তেওঁলোকৰ সকলোখিনি দিছে। ৰাজ্যখনক অনুপ্ৰৱেশকাৰীৰ পৰা ৰক্ষা কৰিবলৈ আৰু উন্নয়নৰ পথত আগুৱাই নিয়া, শিক্ষাৰ্থী আৰু যুৱকসমাজৰ আশা-আকাংক্ষা পূৰণ কৰাৰ দৃষ্টিভংগীৰে যুঁজ দিছিলো। নম্ৰতাৰে জনসাধাৰণৰ জনাদেশ গ্ৰহণ কৰিব লাগিব। কিয়নো সেয়াই গণতন্ত্ৰৰ প্ৰকৃত সাৰাংশ। প্ৰত্যাহ্বানপূৰ্ণ সময়ত কৰ্মকৰ্তাসকলৰ সৈতে দৃঢ়তাৰে থিয় দি অটল সমৰ্থন আৰু সংহতি প্ৰদান কৰিছো।" ঝাৰখণ্ডত বাংলাদেশী অনুপ্ৰৱেশৰ বিষয়টোকে লৈ হিমন্ত বিশ্ব শৰ্মাই শাসকীয় কংগ্ৰেছ আৰু জেএমএমক লক্ষ্য কৰি লৈছিল। ধৰ্ম বিশেষক টাৰ্গেট কৰি লৈছিল। সন্থল পৰগনা নামৰ ঠাইৰ কথা বাৰে বাৰে কৈ হিন্দুৰ জনসংখ্যা ৯০ শতাংশৰ পৰা ৬৭ শতাংশলৈ হ্ৰাস পোৱাৰ বিপৰীতে মুছলমান জনসংখ্যা ১০ শতাংশৰ পৰা প্ৰায় ৪০ শতাংশলৈ বৃদ্ধি পাইছে বুলি উল্লেখ কৰি ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী হেমন্ত চোৰেণক আক্ৰমণ কৰিছিল। এই নিৰ্বাচনত অসমৰ কেইবাটাও প্ৰসংগই ঠাই পাইছিল। তাৰ ভিতৰত অন্যতম আছিল অসমৰ চাহ জনগোষ্ঠী আৰু আদিবাসীসকল। অসমৰ মুখ্যমন্ত্ৰীয়ে কৈছিল ঝাৰখণ্ডত শিপা থকা বহু সংখ্যক লোকে অসমৰ চাহ বাগিচাত বাস কৰে। ঝাৰখণ্ডত শিপা থকা এইসকল লোকে অসমৰ অৰ্থনীতিলৈ বৃহৎ অৱদান আগবঢ়োৱা বুলি কৈছিল। কিন্তু অসমৰ মুখ্যমন্ত্ৰীক উভতি ধৰি ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী হেমন্ত চোৰেণে কৈছিল যে অসমত বসবাস কৰা ঝাৰখণ্ডৰ লোকসকলক জনজাতিৰ মৰ্যাদা দিয়া নাই। ঝাৰখণ্ডত শিপা থকা অসমৰ চাহ বাগিচাত বসবাস কৰা লোকসকলৰ অৱস্থা ভাল নহয়। অসমৰ মুখ্যমন্ত্ৰীয়ে ইয়াত জনজাতীয় লোকসকলৰ শুভাকাংক্ষী হোৱাৰ ভাও ধৰিছে। তেওঁৰ ৰাজ্যখনত ঝাৰখণ্ডৰ জনজাতিসকলক অনুসূচিত জনজাতিৰ মৰ্যাদা প্ৰদান নকৰি পৰিচয় মোহাৰি পেলাইছে। অসমৰ মুখ্যমন্ত্ৰীয়ে সেইসকল লোকে অসমৰ অৰ্থনীতিলৈ গুৰুত্বপূৰ্ণ অৱদান আগবঢ়োৱা বুলি কোৱা স্বত্বেও জনজাতিকৰণ কৰা হোৱা নাই। মুখ্যমন্ত্ৰীক এখন পত্ৰ দিয়া হৈছিল। কিন্তু ব্যৱস্থা নোলোৱাত ঝাৰখণ্ড চৰকাৰে অসমৰ সেই লোকসকলৰ দুৰ্দশা অধ্যয়নৰ বাবে এখন সমিতি গঠনত অনুমোদন জনাইছে। কেবিনেট বৈঠকত এই সিদ্ধান্ত লোৱা হৈছিল বুলিও কয় চোৰেণে। চোৰেণ অসম চাহ জনগোষ্ঠীৰ লোকৰসকলৰ প্ৰসংগ উল্লেখ কৰি আৰু কয় যে ঝাৰখণ্ডৰ জনজাতীয় লোকসকলক ব্ৰিটিছে অসমলৈ আনিছিল। তেওঁলোকৰ সংখ্যা প্ৰায় ১৫ ৰ পৰা ২০ লাখ যদিও নিজ অধিকাৰৰ বাবে যুঁজি থাকিবলগীয়া হৈছে। জনজাতীয় লোকসকলে অসম চাহ বাগিচাত কাম কৰি আছে। তেওঁলোকক এতিয়ালৈকে এছটিৰ মৰ্যাদা দিয়া হোৱা নাই। তেওঁলোকক কল্যাণমূলক আঁচনিৰ পৰা বঞ্চিত কৰা হৈছে। হেমন্ত চোৰেণে কৈছিল যে আমাৰ চৰকাৰে সকলো মূল বাসিন্দাক ঝাৰখণ্ডলৈ উভতি যাবলৈ আমন্ত্ৰণ জনাইছে। আমি অনুসূচিত জনজাতি, অনুসূচিত জাতি, সংখ্যালঘু আৰু পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰীৰ অধীনত এই সমস্যা অধ্যয়ন কৰিবলৈ এখন সমিতি গঠন কৰিম। সৰ্বদলীয় প্ৰতিনিধিত্ব থাকিব। অসমৰ সেই ঠাইবোৰলৈ যাব আৰু আৱাস, চাকৰি, অধিকাৰ আদিৰ সৈতে সম্পৰ্কিত সমস্যাবোৰ অধ্যয়ন কৰিব। সমিতিৰ পৰামৰ্শৰ ভিত্তিত কল্যাণমূলক ব্যৱস্থা প্ৰৱৰ্তন কৰা হ'ব। এনেদৰে চলা প্ৰায় ৪ মহীয়া যুঁজৰ অন্তত অৱশেষত পৰাজয় বৰণ কৰিবলৈ বাধ্য হৈ পৰে অসমৰ মুখ্যমন্ত্ৰীগৰাকী। ফলত এতিয়া ৰাষ্ট্ৰীয় ৰাজনীতিত পূৰ্বতকৈ হিমন্ত বিশ্বৰ প্ৰভাৱ যথেষ্টখিনি হ্ৰাস পোৱাৰ সম্ভাৱনাও প্ৰকট হৈ পৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মেঘালয়ত উপ-নিৰ্বাচনত জয়ী কনৰাডৰ

অন্যতম ৰাজ্য মহাৰাষ্ট্ৰ আৰু ঝাৰখণ্ডত বিধানসভা নিৰ্বাচন, কেৰালাৰ বায়নাড, মহাৰাষ্ট্ৰৰ নান্দেৰত লোকসভাৰ উপ-নিৰ্বাচন আৰু কেইবাখনো ৰাজ্যৰ কেবাটাও বিধানসভা সমষ্টিত উপ-নিৰ্বাচন অনুষ্ঠিত হয়। তাৰ ভিতৰত উত্তৰ-পূবৰ ৰাজ্য মেঘালয়ৰ এটা বিধানসভা সমষ্টিত অনুষ্ঠিত হৈছিল উপ-নিৰ্বাচন। মেঘালয়ৰ গাম্বেগ্ৰে সমষ্টিত অনুষ্ঠিত উপ-নিৰ্বাচনত শাসকীয় এনপিপি দলৰ প্ৰাৰ্থী মেহতাব চান্দি চাংমাই জয়লাভ কৰিছে। ১২,৬৭৮ ভোট লাভ কৰি ৪,৫৯৪টা ভোটৰ ব্যৱধানত মেহতাব চান্দি চাংমা জয়ী হৈছে। মেহতাব চান্দি চাংমা হৈছে মেঘালয়ৰ মুখ্যমন্ত্ৰী তথা এনপিপি দলৰ মুৰব্বী কনৰাড চাংমাৰ পত্নী। প্ৰথমবাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি জয়ী হৈছে মুখ্যমন্ত্ৰী কনৰাড চাংমাৰ পত্নী মেহতাব চান্দি চাংমা। গাম্বেগ্ৰে সমষ্টিৰ কংগ্ৰেছ বিধায়ক চেলেং এ চাংমাই তুৰা লোকসভা সমষ্টিৰ পৰা সাংসদ নিৰ্বাচিত হোৱাত সমষ্টিটো খালী হৈছিল। বিজয়ৰ পাছতে মেহতাব চান্দি চাংমাই সমষ্টিবাসীক কৃতজ্ঞতা জ্ঞাপন কৰে। মুখ্যমন্ত্ৰী কনৰাড কে চাংমাই গাম্বেগ্ৰেৰ ভোটাৰসকলক ধন্যবাদ জ্ঞাপন কৰি এই জয় ঐতিহাসিক জয় বুলি মন্তব্য কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# তাঞ্জিল হুছেইনক হৰুৱাই দিপ্লুৱে কাঢ়িলে

হুছেইনৰ বাবে চামগুৰি সমষ্টি আছিল দুৰ্গস্বৰূপ। অসমৰ সংখ্যালঘু ৰাজনীতিৰ শক্তিশালী নেতা ৰকিবুল হুছেইনে যেতিয়াৰ পৰা সংসদীয় ৰাজনীতিত ভৰি দিছে তেতিয়াৰ পৰাই পৰাজিত হোৱাৰ নজিৰ নাছিল। চামগুৰি সমষ্টিত মনোনয়ন দাখিল কৰি দুখনমান সভা কৰাৰ পিছতেই ফলাফল ঘোষণাৰ দিনটোত বিশাল ভোটৰ ব্যৱধানত জয়ী হৈছিল ৰকিবুল হুছেইন। প্ৰতিটো নিৰ্বাচনত ট্ৰেক ৰেকৰ্ড একেটাই। ২০২১ চনৰ বিধানসভা নিৰ্বাচনতো বাকী অসমৰ বহু সমষ্টিত কংগ্ৰেছৰ নেতা পৰাজিত হৈছিল, কিন্তু ৰকিবুলৰ দুৰ্গ অক্ষত আছিল। কেৱল চামগুৰি সমষ্টিতে ৰকিবুল হুছেইন অপ্ৰতিৰোধ্য আছিল তেনে নহয়, ধুবুৰী লোকসভা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰি ১০ লক্ষ ভোটৰ ব্যৱধানত জয়ী হৈ ৰেকৰ্ড গঢ়িছিল নেতাগৰাকীয়ে। চামগুৰিৰ পৰা গৈ তেওঁ ধুবুৰীত হৰুৱাইছিল বদৰুদ্দিন আজমলক। কিন্তু এইগৰাকী ৰকিবুল হুছেইনে পুত্ৰক নিৰ্বাচনত থিয় কৰোৱাই নিজ দুৰ্গ অক্ষত ৰাখিব নোৱাৰিলে। ২০০১ চনৰ পিছৰে পৰা অসমত অনুষ্ঠিত হোৱা বিধানসভাৰ নিৰ্বাচনত চামগুৰি সমষ্টিৰ পৰা অনায়াসে জয়ী হৈ অহা ৰকিবুল হুছেইনৰ দুৰ্গ আজি উপ-নিৰ্বাচনত নিমিষতে খহি পৰে। ২৩ বছৰ ধৰি কেতিয়াও প্ৰত্যাহ্বানৰ সন্মুখীন নোহোৱাকৈ নিৰ্বিৰোধ জয়ী হৈ অহা ৰকিবুল হুছেইনৰ চামগুৰিৰ দুৰ্গ খহাই পেলালে বিজেপি দলে। ২০০১ চন, ২০০৬ চন, ২০১১ চন, ২০১৬ চন আৰু ২০২১ চনত অনুষ্ঠিত বিধানসভাৰ নিৰ্বাচনত ৰকিবুল হুছেইনে কংগ্ৰেছৰ টিকটত বাৰে বাৰে জয়ী হৈ আহিছিল যদিও উপ-নিৰ্বাচনত জয়ী হ'ব নোৱাৰিলে। ১৩ নৱেম্বৰত অনুষ্ঠিত ভোটগ্ৰহণ আৰু আজি ঘোষিত ফলাফলত চামগুৰিত ধৰাশায়ী হয় ৰকিবুল হুছেইনৰ পুত্ৰ তাঞ্জিল হুছেইন। লগে লগে চামগুৰি সমষ্টিত অৱসান ঘটে ৰকিৰাজৰ। একেলেথাৰিয়ে প্ৰায় ২৪ টা বছৰ শাসনৰ বাঘজৰী নিজৰ হাতত ৰাখি চামগুৰি সমষ্টিত ৰাজত্ব চলাই আজি অতি শোচনীয়ভাবে আত্মসমৰ্পণ কৰিলে কংগ্ৰেছৰ মহাপ্ৰতাপী নেতা ৰকিবুল হুছেইনে। পিতৃ নুৰুল হুছেইনৰ দহ বছৰীয়া শাসন আৰু নিজে চৌবিশ বছৰ অৰ্থাৎ মুঠ চৌত্ৰিশ বছৰ পৰিয়ালকেন্দ্ৰিক ৰাজনীতি কৰি পুনৰ একমাত্ৰ পুত্ৰ তানজিল হুছেইনৰ জৰিয়তে চামগুৰি জয় কৰাৰ সপোন আজি ছাৰখাৰ হৈ পৰিল সাংসদ ৰকিবুল হুছেইনৰ। সমষ্টিটোত আজি অন্ত পৰে কংগ্ৰেছৰ পৰিয়ালকেন্দ্ৰিক ৰাজনীতি। ৰকিবুল হুছেইনৰ এই সপোন ভাঙি চুৰমাৰ কৰি দিলে বিজেপিৰ প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাই। ২৪,৫০১ টা ভোটৰ ব্যৱধানত দিপ্লুৰঞ্জন শৰ্মাই জয় লাভ কংগ্ৰেছৰ দীৰ্ঘদিনীয়া ৰাজত্বৰ অৱসান ঘটালে। চামগুৰিত ২০১১ চনত প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তই আৰু ২০১৬ চনত বিজেপিৰ জিতু গোস্বামীয়েও শক্তিশালী ৰূপত ২০২১ চনত অনিল শইকীয়াই যুঁজ দিছিল যদিও ৰাজনীতিত পাকৈত খেলুৱৈ ৰকিবুল হুছেইনৰ ওচৰত ধৰাশায়ী হৈ পৰিছিল। দীৰ্ঘসময় ধৰি চামগুৰি সমষ্টিক প্ৰতিনিধিত্ব কৰি অহাৰ পাছতে ৰকিবুল হুছেইনে চামগুৰিৰ বিধায়ক পদ এৰি ধুবুৰীৰ সাংসদৰূপে বিপুল ভোটত জয়ী হৈ চমক সৃষ্টি কৰিছিল। চামগুৰিৰ বিধায়ক পদ এৰাৰ পাছতেই কংগ্ৰেছৰ অভেদ্য দূৰ্গ বুলি পৰিগণিত হোৱা চামগুৰিত একমাত্ৰ পুত্ৰ তাঞ্জিল হুছেইনৰ জৰিয়তে অনায়াসে কংগ্ৰেছৰ আসনখন লাভ কৰাৰ পৰিকল্পনা কৰিছিল যদিও আজি ব্যৰ্থতাৰ গ্লানি মূৰ পাতি ল'বলগীয়া হ'ল ৰকিবুল হুছেইনে। কংগ্ৰেছৰ এই দুৰ্দশা চামগুৰিত যে হ'ব সেয়া আছিল অবিশ্বাস্য, অকল্পনীয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই একালৰ পৰম মিত্ৰ, বৰ্তমানৰ ৰাজনৈতিক শত্ৰু ৰকিবুল হুছেইনৰ বিৰুদ্ধে সাংগঠনিক দক্ষতাৰে পুষ্ট ৰাজ্যিক বিজেপিৰ সম্পাদক দিপ্লুৰঞ্জন শৰ্মাক প্ৰাৰ্থিত্ব প্ৰদান কৰিছিল। বিশেষকৈ সংখ্যালঘু ভোটাৰে এইবাৰ নিৰ্ণয়কাৰী ভূমিকা লোৱাত বিপুল সংখ্যক ভোটৰ ব্যৱধানত জয়ী হয় দিপ্লুৰঞ্জনশৰ্মা। দিপ্লুৰঞ্জন শৰ্মাই লাভ কৰে ৮১,৩২১ টা ভোট আৰু তানজিল হুছেইনে লাভ কৰে ৫৬,৮২০ টা ভোট। আজি মিত্ৰজোঁটৰ প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মা জয়লাভৰবাতৰি প্ৰকাশ হোৱাৰ পিছত চামগুৰিত উৎসৱমুখৰ পৰিবেশৰ সৃষ্টি হয় আৰু বিজয়ী প্ৰাৰ্থীগৰাকী চামগুৰিত উপস্থিত হৈ ৰাইজক শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে চামগুৰিক নতুন ৰূপত সজোৱাৰ প্ৰতিশ্ৰুতি দিয়ে। উল্লেখ্য যে, ৰকিবুল হুছেইনৰ পুত্ৰ চামগুৰিত কংগ্ৰেছ প্ৰাৰ্থী তাঞ্জিল হুছেইন কানে কান মাৰি হ'লেও জয়ী হ'ব বুলি অনুমান কৰা কৰিছিল। কিন্তু চামগুৰি সমষ্টিৰ শিঙিমাৰী এলেকাক লৈ সন্দেহ আছিল কংগ্ৰেছৰ। কিয়নো চামগুৰি সমষ্টিৰ সংখ্যালঘু এলেকা শিঙিমাৰীত আগতে ৰকিবুল হুছেইনে ২৮ হাজাৰ পৰ্যন্ত ভোট লাভ কৰিছিল। কিন্তু শিঙিমাৰী এলেকাত এইবাৰ ব্যাপক ৰিগিং আৰু বুথ কেপচাৰিং কৰাৰ লগতে মানুহ ঘৰৰ পৰা ওলাই আহি ভোট দিব পৰা নাছিল বুলি অভিযোগ আনিছিল কংগ্ৰেছে। শিঙিমাৰী এলেকাত ৰকিবুল হুছেইনৰ পুত্ৰই ভোট কম লাভ কৰাৰ ফলত চামগুৰি আসনখন কংগ্ৰেছে হৰুৱাব পাৰে বুলি গোপনে চৰ্চা চলিছিল। এলেকাটোত কংগ্ৰেছৰ যিসকল নেতা তথা ৰকিবুল হুছেইনৰ ঘনিষ্ঠ নেতা আছিল সেইসকলক বিজেপিয়ে বিভিন্ন গোচৰত অভিযুক্ত কৰি দমন কৰিছিল বুলি এটা সূত্ৰই প্ৰকাশ কৰিছিল। ভোটৰ দিনা শিঙিমাৰীৰ ভোটাৰক ঘৰৰ পৰা ওলাব নিদিয়াৰ অভিযোগো উঠিছিল। সমষ্টিটোত আপৰ নুৰুল আমিন চৌধুৰী, ৰবুল হক, মোছাব্বিৰ আলি আহমেদ, আব্দুল মাজিদ, বীৰেন বচাক, ফাতেমা খাতুন, শশী তাতী, জেহিৰুল ইছলাম আৰু আব্দুছ চবুৰ মিঞাই নিৰ্দলীয় হিচাপে প্ৰতিদ্বন্দ্বিতা কৰিছিল। ইফালে, আজিৰ এই জয়ৰ লগে লগে সংখ্যালঘু তথা মুছলমানৰ ভোট নালাগে বুলি কৈ অহা বিজেপি দলেও ৬০ শতাংশৰো অধিক সংখ্যালঘু ভোট থকা সমষ্টিত সংখ্যালঘু মুছলমানৰ ভোটেৰেই জয়ী হ'বলৈ সমৰ্থ হোৱা বিষয়টোৱেও বিশেষ তাৎপৰ্য বহন কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অখিল গগৈ গৰম, লুৰীণ নৰম, গৌৰৱৰ

ৰাইজৰ দলৰ নেতৃত্বই কংগ্ৰেছক আক্ৰমণৰ লক্ষ্য কৰি লৈছে। ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে আনকি কংগ্ৰেছৰ সমৰ্থক-বুদ্ধিজীৱিসকলকো সমালোচনা কৰি শিক্ষা ল'বৰ বাবে আহ্বান জনাইছে। প্ৰকাৰান্তৰে ঝাৰখণ্ডৰ নিচিনাকৈ ২০২৬ৰ বিধানসভাৰ নিৰ্বাচন বিৰোধীয়ে আঞ্চলিক শক্তিৰ নেতৃত্বত খেলিব লাগে বুলি দাবী কৰিছে। সামাজিক মাধ্যমত দিয়া মন্তব্যত অখিল গগৈয়ে কয় যে ঝাৰখণ্ডত আঞ্চলিক শক্তিৰ নেতৃত্ব মানি লৈ কংগ্ৰেছে নিৰ্বাচন খেলিছিল। ৰাজ্যখনত হিমন্ত বিশ্ব শৰ্মাক শিক্ষা দিবলৈ কংগ্ৰেছে আঞ্চলিক শক্তিক গুৰুত্ব দিছিল বুলি উল্লেখ কৰি গগৈয়ে কয় যে ঝাৰখণ্ডত হিমন্ত বিশ্ব হাৰিল, কিন্তু অসমত জিকিল। গগৈয়ে এইবুলিও কয় যে অসমৰ ৰাইজৰ পৰা লুটি নিয়া কেবাহাজাৰো কোটি টকা হিমন্ত বিশ্ব শৰ্মাই ঝাৰখণ্ডত পানীত পেলালে। গগৈয়ে প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰা আৰু যোৰহাটৰ সাংসদ গৌৰৱ গগৈক কঠোৰ সমালোচনা কৰি এই দুয়োজন নেতাৰ বাবে অসমত বিজেপিৰ দৰে সাম্প্ৰদায়িক শক্তিৰ পুনৰ উত্থান ঘটিল বুলি অভিযোগ কৰে। ইফালে, বিপৰীত মন্তব্য কৰিছে অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে। লুৰীণে ২০২৬ত বিজেপিৰ বিৰুদ্ধে সকলো দল একত্ৰিত হৈ সংঘৱদ্ধভাৱে যুঁজাৰ সংকল্প ল'ব লাগে বুলিও আহ্বান জনাইছে। গগৈয়ে ৰাইজৰ ৰায় মানিবই লাগিব বুলি উল্লেখ কৰি কয় যে কংগ্ৰেছৰ নেতৃত্বত সকলো দল একেলগে বিজেপিৰ বিৰুদ্ধে যুঁজাৰ ক্ষেত্ৰত কংগ্ৰেছেই আহুকালৰ সৃষ্টি কৰিছে। এনে পৰিস্থিতি নোহোৱা কৰিবৰ বাবেও তেওঁ আহ্বান জনায়। অসমৰ ৰাইজক সাম্প্ৰদায়িক শক্তিৰ বিৰুদ্ধে একত্ৰিত হৈ কাম কৰাৰ ৰণকৌশল প্ৰস্তুত কৰিবলৈকো তেওঁ আহ্বান জনায়। তেওঁ কয়, “ৰাজনীতি মানে হৈছে সময়ৰ খেল। বিজেপি বিৰোধী আমাৰ সংগ্ৰাম অব্যাহত থাকিব। দৃঢ়তাৰে পুনৰ কওঁ- ঐক্যবদ্ধ সংগ্ৰামৰ বিকল্প নাই।” লুৰীণে মুখ্যমন্ত্ৰীকো কটাক্ষ কৰে। তেওঁ কয়, “বিজয়ী প্ৰাৰ্থীসকললৈ শুভেচ্ছা আৰু বিজেপি বিৰোধী শক্তিক ধূলিস্যাৎ বুলি ক'ব খোজাসকলক ঝাৰখণ্ডৰ নিৰ্বাচনত অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অহা ফলাফলৰ বাবে শুভেচ্ছা জনাইছোঁ। ইফালে, বিহালীত কংগ্ৰেছ দলৰ পৰাজয়ৰ দায়িত্ব স্বীকাৰ কৰি লোৱা বুলি ৰাজহুৱাভাৱে ঘোষণা কৰিছে গৌৰৱ গগৈয়ে। গৌৰৱ গগৈয়ে উত্তৰ অসমত দলটোক অধিক শক্তিশালী কৰিবৰ বাবেই তেওঁ চেষ্টা কৰিব বুলি উল্লেখ কৰি কয় যে তেওঁৰ কামৰেই এইটো কেন্দ্ৰবিন্দু হৈ থাকিব। বিজেপিৰ ভোটবেংকত আঘাত হনা বুলি উল্লেখ কৰি গৌৰৱ গগৈয়ে কয় যে সমগ্ৰ বিজেপিৰ কেবিনেট, বিধায়কসকলে ৩ সপ্তাহ শিবিৰ পাতি থকাৰ পিছতো বিজেপি আৰু কংগ্ৰেছৰ ভোটৰ ব্যৱধান আধাতকৈয়ো অধিক হ্ৰাস হৈছে। তেওঁ বিহালীবাসীক সমৰ্থন দিয়াৰ বাবে কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিহালীৰ ধাবাত চাহ খোৱা নহ'ল গৌৰৱৰ

পৰিল বিহালী বিধানসভা সমষ্টিত। কাৰ্যত গৌৰৱ গগৈৰ মেজিক নচলিল বিহালীত। গৌৰৱ গগৈক অহংকাৰী নেতা বুলি শিৱসাগৰ সমষ্টিৰ বিধায়ক অখিল গগৈয়ে বাৰে বাৰে সমালোচনা কৰি থকাৰ পিছত গৌৰৱ গগৈয়ে ইয়াৰ উত্তৰ বিহালীত দিব বুলি কংগ্ৰেছ কৰ্মীসকলে ভাবিছিল যদিও শেষ মুহূৰ্তত প্ৰায় ১০ হাজাৰ ভোটৰ ব্যৱধানত গৌৰৱ গগৈৰ প্ৰাৰ্থী জয়ন্ত বৰা পৰাজিত হয়। জয়ন্ত বৰাৰ প্ৰাৰ্থিত্বক লৈয়ো কংগ্ৰেছ দলত আৰম্ভণিৰে পৰা অসন্তুষ্টি আছিল। কংগ্ৰেছে জ্যেষ্ঠ ভাতৃৰ আচৰণ কৰি বিৰোধী ঐক্য মঞ্চৰ অংশীদাৰী দল চিপিআইএমএলক এই সমষ্টিটো এৰি দিয়াৰ প্ৰস্তাৱ পোনছাটেই নাকচ কৰিছিল সমষ্টিটোৰ তত্বাৱধায়ক গৌৰৱ গগৈয়ে। বিজেপিৰ পৰা কংগ্ৰেছৰ প্ৰাৰ্থিত্ব লাভ কৰাৰ পিছতহে দলত যোগদান কৰা জয়ন্ত বৰাৰ সমৰ্থনত কংগ্ৰেছ দলৰ নিষ্ঠাবান কৰ্মীসকলে দেহে-কেহে লাগিছিল নে নাই বুলিও এতিয়া প্ৰশ্ন উত্থাপন হৈছে। উল্লেখ্য যে, মন্ত্ৰী পীযুষ হাজৰিকা, সাংসদ ৰঞ্জিৎ দত্তকে ধৰি প্ৰায় এডজন বিধায়কে বিহালীত বাহৰ পাতি মুখ্যমন্ত্ৰীৰ নিৰ্দেশত গৌৰৱ গগৈৰ প্ৰাৰ্থী জয়ন্ত বৰাক পৰাজিত কৰিবলৈ পৰিকল্পনা ৰচনা কৰিছিল। যোৰহাটৰ সাংসদজনে সেই পৰিকল্পনাৰ উমান নোপোৱাতো বহুতে ৰহস্যজনক বুলি ক'ব বিচাৰে যদিও একাংশই গৌৰৱ গগৈয়ে নিজৰ জনপ্ৰিয়তা জুখি চাবৰ বাবেই এনে সিদ্ধান্ত লোৱা বুলি ক'বলৈ বিচাৰে। ইয়াৰ বিপৰীতে বিজেপিৰ নেতা-কৰ্মী আৰু মন্ত্ৰী পীযুষ হাজৰিকাই জয়ন্ত বৰাই বিহালী সমষ্টিৰ প্ৰাৰ্থিত্বৰ বাবে কংগ্ৰেছৰ নেতৃত্বক উপঢৌকন দিয়াৰ অভিযোগ উত্থাপন কৰিছিল। এই অভিযোগো এতিয়া কংগ্ৰেছ দলৰ বাবে ডিঙিৰ কাঁইট হৈ পৰিছে। কংগ্ৰেছ দলৰ একাংশ নেতৃত্বই এতিয়া জয়ন্ত বৰাৰ প্ৰাৰ্থিত্বৰ সিদ্ধান্তক লৈ পৰ্যালোচনা হোৱাতো বিচাৰিছে। ভোট গণনা হোৱাৰ এদিন আগলৈকে বিহালী সমষ্টিটো নিজৰ দখললৈ আনিবলৈ সক্ষম হ'ব বুলি সাংসদ গৌৰৱ গগৈয়ে এক বদ্ধমূল ধাৰণা লৈ আছিল আৰু যাৰ বাবে তেওঁ প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাৰ প্ৰতি কটাক্ষ কৰি লিলি হোটেলৰ পৰিৱৰ্তে বিহালীৰ হোটেলত চাহ খোৱা ভাল বুলি মন্তব্য কৰিছিল। গৌৰৱ গগৈৰ সেই মন্তব্যই স্বাভাৱিকতে বিজেপি বিৰোধী দলসমূহৰ নেতৃত্বক ক্ষুব্ধ কৰি তুলিছিল। ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে আনকি অসম সন্মিলিত মৰ্চা চমুকৈ অসমৰ লিলি হোটেলত কৰা বৈঠকসমূহ বৈধ নাছিল নেকি বুলি প্ৰশ্ন উত্থাপন কৰিছে। ইফালে, কংগ্ৰেছ শিবিৰত গৌৰৱ গগৈক বিহালী সমষ্টিৰ প্ৰাৰ্থী জয়ী হ'ব বুলি কোনে বিপথে পৰিচালিত কৰিছিল সেই লৈয়ো আলোচনা অব্যাহত আছে। বিজেপিৰ পৰা দলত্যাগ কৰি কংগ্ৰেছত যোগদান নকৰাকৈয়ে বিহালীৰ প্ৰাৰ্থিত্ব লাভ কৰা জয়ন্ত বৰাক পুনৰ বিজেপিলৈ ঘূৰি যাব পাৰে বুলিও একাংশ কংগ্ৰেছ কৰ্মীয়ে এতিয়া সন্দেহ কৰিছে। এই সন্দেহৰ বীজ সিঁচি দিছিল বিজেপিৰ শোণিতপুৰৰ সাংসদ ৰঞ্জিৎ দত্তই। ৰঞ্জিৎ দত্তই ৰাজহুৱাভাৱে এই কথা কৈছিল যে নিৰ্বাচনত পৰাজিত হোৱাৰ ৩ মাহৰ পিছত জয়ন্ত বৰা পুনৰ বিজেপিলৈ উভতি যাবলৈ বাধ্য হ'ব। যদি এইটোৱেই হয় তেতিয়াহ'লে জয়ন্ত বৰাৰ প্ৰাৰ্থিত্বক লৈ থাকি যাব ডাঙৰ সাঁথৰ। ইফালে, পৰাজয়ৰ পিছতে উক্ত পৰাজয়ৰ নৈতিক দায়িত্ব মূৰ পাতি লৈছে গৌৰৱ গগৈয়ে। তেওঁ প্ৰাৰ্থী জয়ন্ত বৰাক দুখ কৰি নাথাকিবলৈকো কয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# লিলিত বহিলেহে হিলি যাব বিজেপি!

কংগ্ৰেছত। নীতিবৰ্হিভূতভাৱে বিহালী সমষ্টিত জয়ন্ত বৰাক দলৰ প্ৰাৰ্থিত্ব দিয়াৰ পিছত অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰা আৰু সাংসদ গৌৰৱ গগৈৰ মাজত ব্যৱধান বৃদ্ধি পাইছিল। ফলশ্ৰুতিত প্ৰদেশ কংগ্ৰেছৰ মাজতো বহুধাবিভক্ত হৈ পৰিছিল নেতৃত্ব। সাংসদ গৌৰৱ গগৈয়ে লিলি হোটেলৰ পৰিৱৰ্তে বিহালীৰ ধাবাত চাহ খাবলৈ যাব লাগে বুলি ঐক্যবদ্ধ বিৰোধীক একপ্ৰকাৰ ভেঙুচালি কৰাৰ পিছত বিহালীত কংগ্ৰেছ প্ৰাৰ্থীৰ শোচনীয় পৰাজয়ে কংগ্ৰেছৰ ভিতৰচ'ৰাত মিশ্ৰিত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ইয়াৰ মাজতে আজি অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাই এক সংবাদমেলত 'লিলিত বহিলেহে বিজেপি হিলিব' বুলি মন্তব্য কৰে। সংবাদমেলত বৰাই কয় যে বিজেপি বিৰোধী সকলো শক্তিক একত্ৰিত কৰিবৰ বাবে তেওঁ মানুহৰ ঘৰে ঘৰে যাব। বৰাই আৰু কয় যে ২০২৬ৰ নিৰ্বাচনৰ বাবে কংগ্ৰেছ দলে ৰাইজৰ আশীৰ্বাদ বিচাৰি বিজেপি বিৰোধী দল-সংগঠন, কবি, সাহিত্যিক, শিল্পীসহ সকলো ৰাইজৰ লগত কথা পাতিব আৰু পৰামৰ্শ গ্ৰহণ কৰিব। কোনো অহংকাৰ নোহোৱাকৈ ৰাইজৰ ওচৰলৈ যাব বুলি উল্লেখ কৰি বৰাই কয় যে বিধানসভাৰ ৫টা সমষ্টিৰ উপ-নিৰ্বাচনত কংগ্ৰেছে যথেষ্ট অভিজ্ঞতা লাভ কৰিছে আৰু চামগুৰিক বাদ দি আটাইকেইটা সমষ্টিতে বিজেপি বিৰোধী ভোট কংগ্ৰেছৰ সপক্ষে গৈছে। প্ৰসংগক্ৰমে তেওঁ কয় যে ধলাই সমষ্টিত কংগ্ৰেছ প্ৰাৰ্থীজনে যোৱা লোকসভা নিৰ্বাচনৰ ভোটৰ ব্যৱধান ৪০ হাজাৰৰ পৰা ১০ হাজৰলৈ কমাই আনিছে। একেদৰে বিহালীত কংগ্ৰেছৰ সপক্ষে ৫০০০ ভোট বৃদ্ধি পাইছে। ছিদলীত কংগ্ৰেছৰ সংগঠন শক্তিশালী হৈছে আৰু ভোট বৃদ্ধি পাইছে। বঙাইগাঁৱতো কংগ্ৰেছৰ সপক্ষে ৰাইজৰ সহাঁৰি আশাব্যঞ্জক বুলি উল্লেখ কৰি কয় যে চামগুৰিৰ পৰিস্থিতিয়ে তেওঁৰ অন্তৰত দুখ দিছে আৰু চামগুৰিত ব্যাপক হাৰত শাসকীয় দলে ৰিগিং কৰিছে। শাসকীয় দলে কৰা ৰিগিঙৰ বিষয়ে কংগ্ৰেছ দলে আগতীয়াকৈ উমান পাই দেশৰ মুখ্য নিৰ্বাচন আয়ুক্তৰ লগতে ৰাজ্যিক নিৰ্বাচনী বিষয়া, জিলা নিৰ্বাচনী বিষয়া সকলোকে অভিযোগ দিছিল আৰু বহিঃৰাজ্যত কৰ্মৰত চামগুৰিৰ ভোটাৰৰ ভোট ইভিএমত শাসকীয় দলে দিয়াৰ অভিযোগ উত্থাপন কৰিছিল। চামগুৰিৰ বিষয়ে পৰ্যালোচনা কৰা হ'ব বুলিও বৰাই উল্লেখ কৰে। তেওঁ প্ৰসংগক্ৰমে কয় যে কৰ্ণাটকত কংগ্ৰেছ দলৰ চৰকাৰ আছে আৰু ৰাজ্যখনৰ উপ-নিৰ্বাচনত ৩টা বিধানসভা সমষ্টিৰ ভোটযুদ্ধত আটাইকেইটাতে কংগ্ৰেছ দলৰ প্ৰাৰ্থী জয়ী হৈছে। ঝাৰখণ্ডত সাম্প্ৰদায়িক ৰাজনীতি কৰিবলৈ গৈ অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই মুখথেকেচা খোৱা বুলি উল্লেখ কৰি বৰাই কয় যে এতিয়া সমগ্ৰ দেশতে সাম্প্ৰদায়িক বিষবাষ্প বিয়পোৱা নেতাসকলৰ ভিতৰত হিমন্ত বিশ্ব শৰ্মা অন্যতম বুলি চিহ্নিত হৈ পৰিছে। তেখেত য'লৈকে গৈছে তাতেই বিজেপিৰ পৰাজয় হৈছে বুলি উল্লেখ কৰি বৰাই কয় যে ৪ মাহ ঝাৰখণ্ডত থকাৰ পিছত অসমৰ পাৰ্টটাইম মুখ্যমন্ত্ৰীজনে ধাৰ-ঋণ লৈ অসম চৰকাৰক ডুবন্ত জাহাজলৈ পৰিণত কৰিছে। মুখ্যমন্ত্ৰীৰ আসনৰ মৰ্যাদা হিমন্ত বিশ্ব শৰ্মাই হানি কৰা বুলি উল্লেখ কৰি বৰাই কয় যে চামগুৰি সমষ্টিৰ নিৰ্বাচনৰ আগদিনা নিশা আঢ়ৈ বজাত বিজেপিৰ ২ বিধায়ক জিতু গোস্বামী আৰু ৰূপক শৰ্মাৰ লগত ভিডিঅ' কলত কথা পাতি চামগুৰিত কি কৰিব লাগে সেই সন্দৰ্ভত পৰামৰ্শ দিছিল। নিৰ্বাচনত হৰা-জিকা আছেই বুলি উল্লেখ কৰি বৰাই কয় যে মুখ্যমন্ত্ৰী এজনে নিজকে ইমান ৰাজনৈতিক কৰি সাংবিধানিক বিধি-ব্যৱস্থাৰ প্ৰতিয়েই ভাবুকিৰ সৃষ্টি কৰিছে। ইফালে, ৫টা বিধানসভা সমষ্টিৰ নিৰ্বাচনত জয়ী হোৱা ৫জন প্ৰতিনিধিক অভিনন্দন জ্ঞাপন কৰি বৰাই কয় যে ৱায়নাডত কংগ্ৰেছৰ অন্যতম মহাসচিব প্ৰিয়ংকা গান্ধীয়ে বিপুল ভোটত জয়ী হৈ কংগ্ৰেছৰ প্ৰতি ৰাইজৰ সমৰ্থন বৃদ্ধি কৰাৰ কথাটোকে প্ৰমাণিত কৰিলে। কংগ্ৰেছ কৰ্মীসকলে এতিয়া আগতকৈয়ো দুগুণ উৎসাহেৰে কাম কৰিব লাগে বুলিও তেওঁ উল্লেখ কৰে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰায়নাডত জয়েৰে সংসদলৈ প্ৰিয়ংকা গান্ধী

নাতি লোকসভালৈ নিৰ্বাচিত হৈছে। ৰাহুল গান্ধী, বৰুণ গান্ধীৰ পিছতে তৃতীয়গৰাকী নাতি প্ৰিয়ংকা গান্ধী লোকসভালৈ নিৰ্বাচিত হৈছে। ইয়াৰ লগে লগে গান্ধী-নেহৰু পৰিয়ালৰ চাৰিগৰাকী সদস্যক ৰাজ্যসভা আৰু লোকসভাৰ সাংসদ ৰূপে দেখা যাব। হিন্দীত সুন্দৰকৈ আৰু শুৱলাকৈ ভাষণ দিব জনা, বিৰোধীক তীক্ষ্ন আক্ৰমণ কৰাত পৰিপক্ক প্ৰিংকাক লোকসভাত ভাষণৰত অৱস্থাত চাবলৈ একাংশ লোক উদগ্ৰীৱ হৈ থকা পৰিলক্ষিত হৈছিল। সদ্য সমাপ্ত লোকসভা নিৰ্বাচনতে প্ৰিয়ংকা গান্ধীয়ে নিৰ্বাচন খেলাতো বিচাৰিছিল বহু বিজেপি বিৰোধী লোকে। অৱশেষত সেই আশাক বাস্তৱ ৰূপ দি আজি ৰায়নাড লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনত ঐতিহাসিক বিজয় সাব্যস্ত কৰে প্ৰিয়ংকা গান্ধীয়ে। ফলত সংসদত শাসকীয় দলক নিজস্ব শৈলীৰে বহু বিষয়ত তীব্ৰ আক্ৰমণ কৰিব বুলি আশা কৰা হৈছে। আজি ফলাফল ঘোষিত কেৰালাৰ বায়নাড সমষ্টিত ৪ লাখ ভোটৰ ব্যৱধানত জয়ী হৈছে প্ৰিংয়কা গান্ধী। প্ৰিয়ংকাই লাভ কৰিছে ৬ লাখ ২২ হাজাৰ ৩৩৮টা ভোট। প্ৰিয়ংকা গান্ধীয়ে জীৱনত প্ৰথমবাৰৰ বাবে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি জ্যেষ্ঠ ভাতৃ ৰাহুল গান্ধীৰ অভিলেখ ভংগ কৰি ৪ লাখ ১০ হাজাৰ ৯৩১টা ভোটৰ ব্যৱধানত জয়ী হৈছে। নিকটতম প্ৰতিদ্বন্দ্বী চিপিআইৰ প্ৰাৰ্থী সত্যেন মুকাৰেয়ে ২ লাখ ১১ হাজাৰ, বিজেপিৰ নব্য হৰিদ্বাসে ১ লাখ ভোট লাভ কৰিছে। প্ৰিয়ংকা গান্ধীয়ে ৭০ শতাংশ ভোট লাভ কৰিছিল। প্ৰিয়ংকাই ২০০৪ চনৰ লোকসভা নিৰ্বাচনৰ পৰা ছোনিয়া গান্ধী আৰু ৰাহুল গান্ধীৰ হৈ নিয়মীয়াকৈ প্ৰচাৰ চলাই আহিছে। উত্তৰ প্ৰদেশৰ ভাৰপ্ৰাপ্ত এআইচিচিৰ সাধাৰণ সম্পাদক হিচাপে ২০১৯ চনৰ জানুৱাৰীত আনুষ্ঠানিকভাৱে সক্ৰিয় ৰাজনীতিত প্ৰৱেশ কৰিছিল প্ৰিয়ংকাই। ৰায়ানাড আৰু ৰায়বৰেলী দুয়োটা সমষ্টিত ৰাহুল গান্ধীৰ হৈ প্ৰচাৰ চলাইছিল। কংগ্ৰেছে কেতিয়াও কেৰালাৰ ৰায়ানাড লোকসভা আসনত পৰাজিত হোৱা নাই। ২০০৯ চনৰ পৰা বায়নাডত কংগ্ৰেছৰ দপদপনি চলি আহিছে যদিও বিৰোধীয়ে প্ৰিয়ংকাক জয়ী হ'ব বুলি ভাবিছিল যদিও বিজয়ৰ ব্যৱধান ইমান বিশাল যে হ'ব পাৰে সেয়া ভাবিব পৰা নাছিল। প্ৰিয়ংকাৰ স্বামী ৰবাৰ্টে ভোটাৰসকলক অভিনন্দন জনাই জীৱনৰ প্ৰতিটো পৰ্যায়ত আপোনালোকৰ কাষত আছো বুলি কৈ আজি আপোনালোকৰ সৰ্বশ্ৰেষ্ঠ দিন বুলি কয়। মাত্ৰ ছয় মাহ আগত ভাতৃ ৰাহুলে ৰায়নাডৰ পৰা ৩.৬৪ লাখ ভোটৰ ব্যৱধানত আসনখনত জয়লাভ কৰিছিল। প্ৰিয়ংকা হৈছে গান্ধী-নেহৰু পৰিয়ালৰ জীৱনৰ প্ৰথমটো নিৰ্বাচনত দক্ষিণ ভাৰতৰ প্ৰতিদ্বন্দ্বিতা কৰা সদস্য। ইয়াৰ পূৰ্বে গান্ধী-নেহৰু পৰিয়ালৰ সদস্যসকলে উত্তৰ প্ৰদেশৰ পৰাই প্ৰথমে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ পিছতহে দক্ষিণ ভাৰতত প্ৰতিদ্বন্দ্বিতা কৰিছে। ৰাহুল আৰু আইতাক ইন্দিৰাই দক্ষিণ ভাৰতৰ পৰা লোকসভা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিছিল যদিও তাৰ পূৰ্বে উত্তৰ প্ৰদেশত জীৱনৰ প্ৰথম নিৰ্বাচনত যুঁজিছিল। ইন্দিৰাই ১৯৭৮ চনত চিকমাগালুৰৰ পৰা আৰু ১৯৮০ চনত অবিভক্ত অন্ধ্ৰ প্ৰদেশৰ মেডাকৰ পৰা বিজয়ী হৈছিল। ১৯৯৯ চনত ছোনিয়াই প্ৰথমবাৰৰ বাবে লোকসভা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ উত্তৰ প্ৰদেশৰ ৰায়বৰেলীৰ সৈতে কৰ্ণাটকৰ বল্লাৰীক বাছনি কৰিছিল। লোকসভাত বিৰোধী দলপতি ৰাহুল গান্ধীয়ে উত্তৰ প্ৰদেশৰ ৰায়বৰেলী আৰু ৰায়ানাডত নিৰ্বাচন খেলি দুয়োটা সমষ্টিতে জয়ী হৈছিল যদিও বায়নাড এৰি দিয়াত উপ-নিৰ্বাচন অনুষ্ঠিত হৈছিল। প্ৰিয়ংকাই বিজয়ৰ ব্যৱধানৰ ক্ষেত্ৰত পিতৃ ৰাজীৱ গান্ধী আৰু আইতাক ইন্দিৰা গান্ধীকো পিছ পেলায়। ১৯৭৭ চনৰ লোকসভা নিৰ্বাচনত ইন্দিৰাই সমগ্ৰ দেশতে কংগ্ৰেছৰ বিপৰ্যয়ৰ সময়ত উত্তৰ প্ৰদেশৰ ৰায়বৰেলীত জনতা দলৰ ৰাজনাৰায়ণৰ হাতত পৰাজিত হৈছিল। কৰ্ণাটকৰ চিকমাগালুৰৰ তদানীন্তন কংগ্ৰেছ সাংসদ ডি বি চান্দ্ৰে গৌড়াই ইন্দিৰাক সাংসদ হোৱাৰ সুযোগ দিবলৈ পদত্যাগ কৰিছিল। ১৯৭৮ চনৰ উপ-নিৰ্বাচনত ইন্দিৰাই চিকমাগালুৰত জনতা পাৰ্টিৰ প্ৰাৰ্থী বীৰেন্দ্ৰ পাটিলক প্ৰায় ৭৭,৫০০ ভোটৰ ব্যৱধানত পৰাস্ত কৰে। প্ৰিয়ংকাৰ বিজয়ৰ ব্যৱধান তাতকৈ বহুগুণে বেছি। বিমান দুৰ্ঘটনাত সৰু পুত্ৰ সঞ্জয়ৰ মৃত্যুৰ পিছতে ইন্দিৰাই প্ৰিয়ংকাৰ দেউতাক ৰাজীৱক ৰাজনীতিলৈ আনিছিল। ৰাজীৱে আমেথিত লোকদলৰ প্ৰাৰ্থী শৰদ যাদৱক প্ৰায় ২.৩৭ লাখ ভোটত পৰাজিত কৰিছিল। ২০০৬ চনত ছোনিয়াই উত্তৰ প্ৰদেশৰ ৰায়বৰেলী লোকসভা উপনিৰ্বাচনত ৪.১৭ লাখতকৈও অধিক ভোটৰ ব্যৱধানত জয়ী হৈছিল। ২০০৪ চনৰ লোকসভা নিৰ্বাচনত একেই আসনত প্ৰায় ২.৫ লাখ ভোটৰ ব্যৱধানত জিকিছিল। উল্লেখ্য যে, আজি ৰায়নাডৰ লগতে মহাৰাষ্ট্ৰৰ নান্দেৰ লোকসভা সমষ্টিৰো উপ-নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হয়। আজি ফলাফল ঘোষণা কৰা দুয়োটা লোকসভা সমষ্টিতে কংগ্ৰেছ জয়ী হৈছে। মহাৰাষ্ট্ৰীৰ বিধানসভা নিৰ্বাচনত মহাবিকাশ অঘাড়ি তথা কংগ্ৰেছে শোচনীয় প্ৰদৰ্শন কৰাৰ মাজতে ৰাজ্যখনৰ নান্দেৰ সমষ্টিটোত বিজেপিক পৰাভূত কৰিবলৈ সমৰ্থ হোৱা বিষয়টোৱে বিশেষ ৰাজনৈতিক তাৎপৰ্য বহন কৰিছে। এই সমষ্টিটোত জয়ৰ লগে লগে লোকসভাত কংগ্ৰেছৰ সাংসদৰ সংখ্যা ৯৯ৰ পৰা হেৰফেৰ নোহোৱাকৈ থাকে। পুৱাৰে পৰা তীব্ৰ প্ৰত্যাহ্বানৰ অন্তত নান্দেৰত কংগ্ৰেছ প্ৰাৰ্থী চৱন ৰবীন্দ্ৰ ভাসাতৰাৱে বিজয়ী হয়। ভাৰতৰ নিৰ্বাচন আয়োগে প্ৰকাশ কৰা তথ্য অনুসৰি কংগ্ৰেছ প্ৰাৰ্থীয়ে ভাৰতীয় জনতা পাৰ্টিৰ প্ৰাৰ্থী ডঃ চান্তুকৰাও মাৰোতৰাও হাম্বাৰ্ডেৰ বিৰুদ্ধে মাত্ৰ ১৪৫৭টা ভোটৰ ব্যৱধানত জয় লাভ কৰে। কংগ্ৰেছ প্ৰাৰ্থীগৰাকীয়ে ৫৮৬,৭৮৮ ভোট লাভ কৰে, বিজেপি প্ৰাৰ্থীয়ে ৫৮৫,৩৩১ ভোট লাভ কৰিবলৈ সক্ষম হয়। প্ৰিয়ংকা গান্ধীৰ লগতে নান্দেৰত ৰবীন্দ্ৰৰ জয়ৰ লগে লগে লোকসভাত কংগ্ৰেছ সাংসদৰ সংখ্যা ৯৯ হৈ ৰয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ছিদলী পুনৰ ইউপিপিএল দলৰ

মিত্ৰ দল ইউপিপিএল দলৰ প্ৰাৰ্থী নিৰ্মল কুমাৰ ব্ৰহ্মাই বিপুল ভোটত জয়ী হোৱাৰ পাছত দলীয় নেতা-কৰ্মীসকলে কাজলগাঁৱৰ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত নাচ-গান কৰি আনন্দ কৰে। পাছলৈ প্ৰাৰ্থীগৰাকীয়ে ৰিটাৰ্ণিং বিষয়াৰ পৰা প্ৰমাণ লাভ কৰাত তেওঁক কাশীকোত্ৰাৰ নিৰ্বাচনী পৰিচালনা সমিতিৰ কাৰ্যালয়লৈ আদৰি অনা হয়। কাশীকোত্ৰাত বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে দলীয় প্ৰাৰ্থীগৰাকীৰ বিজয়ৰ বাবে সমূহ ভোটাৰ ৰাইজলৈ ধন্যবাদ জ্ঞাপন কৰাৰ লগতে চিদলী বিধানসভা সমষ্টিৰ উন্নয়নৰ দিশত ব্ৰহ্মাই কাম কৰি যাব বুলি আশা ব্যক্ত কৰে। মিত্ৰদলৰ প্ৰাৰ্থী নিৰ্মল কুমাৰ ব্ৰহ্ম বিজয়ী হোৱা সন্দৰ্ভত বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৰ ৰাজনৈতিক সচিব মাধৱ চন্দ্ৰ ছেত্ৰীয়ে সমষ্টিবাসী ৰাইজক ধন্যবাদ জ্ঞাপন কৰে। তেওঁ প্ৰমোদ বড়োৰ নেতৃত্বত বিটিচিত শান্তি বিৰাজ কৰাৰ লগতে ক্ৰমান্বয়ে উন্নয়ন হৈ অহাত ৰাইজে মিত্ৰ দলৰ চৰকাৰৰ প্ৰতি সদয় হৈ এই মতদান কৰে বুলি উল্লেখ কৰে। উল্লেখযোগ্য মিত্ৰদলৰ প্ৰাৰ্থী নিৰ্মল কুমাৰ ব্ৰহ্মাই মুঠ ৯৪৭৬৭টা ভোট লাভ কৰাৰ বিপৰীতে বিপিএফৰ প্ৰাৰ্থী শুদ্ধ কুমাৰ বসুমতাৰীয়ে ৫৭,৮৭৯ টা ভোট লাভ কৰে। ইউপিপিএলৰ ব্ৰহ্মাই বিপিএফৰ বসুমতাৰীক ৩৬৮৮৮টা ভোটৰ ব্যৱধানত পৰাস্ত কৰে। ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ প্ৰাৰ্থী সঞ্জীৱ ৱাৰীয়ে লাভ কৰে মাত্ৰ ৭৬০১টা ভোট। সমষ্টিটোত নোটাৰ ভোটদান হয় ৪৬৬০টা। চিৰাং জিলাৰ চিদলী বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনত বিজেপিৰ মিত্ৰদল ইউপিপিএলৰ প্ৰাৰ্থী নিৰ্মল কুমাৰ ব্ৰহ্মাই বিপুল ভোটত জয়ী হোৱাৰ পাছত আজি দলীয় নেতা-কৰ্মীসকলে কাশীকোত্ৰাত উষ্ণ আদৰণি জনায়। এই অনুষ্ঠানত বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো, কেবাজনো বিধায়ক, বিটিচিৰ কাৰ্যবাহী সদস্য উপস্থিত থাকে। চিদলী বিধানসভা সমষ্টিৰ পৰা বিধায়ক নিৰ্বাচিত হোৱা সন্দৰ্ভত সাংবাদিকেৰে হোৱা চমু সাক্ষাৎকাৰত নিৰ্মল কুমাৰ ব্ৰহ্মাই সমষ্টিটোত যাতায়াত, বান-গৰাখহনীয়া আৰু ৰাইজৰ অন্যান্য সমস্যাৰ প্ৰতি গুৰুত্ব প্ৰদান কৰিব বুলি মত পোষণ কৰে। শিক্ষা, স্বাস্থ্য আৰু স্থানীয় সমস্যাসমূহো সমাধান কৰিব বুলি কয়। মিত্ৰজোঁটৰ উন্নয়নমূলক কাম-কাজৰ বাবে এইবাৰ ভোটদান কৰি বিধায়ক নিৰ্বাচিত কৰাত ৰাইজক তেওঁ ধন্যবাদ জনায়।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

৬নং পৃষ্ঠাৰ পৰা...

# বঙাইগাঁৱত দুৰ্গ অক্ষুন্ন ৰ'ল ফণীভূষণৰ

চৌধুৰীয়ে নিজকে মজবুত হৈ থকা বুলি পুনৰবাৰ প্ৰমাণ কৰিলে। নিজে ৪০ বছৰ ধৰি বিধায়ক হোৱা বঙাইগাঁৱত অগপৰ ভেটি শক্তিশালী আৰু অক্ষুন্ন ৰাখিবলৈ সক্ষম হৈছে ফণীভূষণ চৌধুৰী। আজি ঘোষিত উপ-নিৰ্বাচনত পত্নী দিপ্তীময়ী চৌধুৰীক জয়ী কৰাই এই কথা প্ৰমাণ কৰিছে। অগপ দল গঠন হোৱাৰ পৰাই পৰাজিত নোহোৱাকৈ থকা ফণীভূষণ চৌধুৰীয়ে ধাৰাবাহিক জয় অক্ষুন্ন ৰখা বঙাইগাঁও বিধানসভা সমষ্টিত এইবাৰ পত্নীক জয়ী কৰাই সেই জয়ৰ ধাৰা অক্ষুন্ন ৰাখিলে ফণীভূষণ চৌধুৰীয়ে। বঙাইগাঁও সমষ্টি নামনি অসমৰ একমাত্ৰ সমষ্টি যিটো সমষ্টিত আঞ্চলিকতাবাদৰ প্ৰভাৱ শক্তিশালী হৈ আছে বুলিও প্ৰমাণ কৰিছে চৌধুৰী পৰিয়ালে। বিগত লোকসভা নিৰ্বাচনত বৰপেটা লোকসভা সমষ্টিত অগপৰ টিকটত প্ৰতিদ্বন্দ্বিতা কৰি লোকসভালৈ নিৰ্বাচিত হোৱাত খালী হোৱা বঙাইগাঁও সমষ্টিত অগপৰ টিকট দাবী কৰিছিল ফণীভূষণ চৌধুৰীৰ ঘনিষ্ঠ শৈলেন্দ্ৰ চৰকাৰে। কিন্তু চৌধুৰীয়ে পত্নীক টিকট দিয়াত অগৰ কেইবাগৰাকী নেতাই বিসম্বাদ কৰে আৰু নিৰ্দলীয়া হিচাপে থিয় দিয়ে শৈলেন্দ্ৰ চৰকাৰে। কিন্তু বিসম্বাদ কৰিও খহাব নোৱাৰিলে ফণীৰ দুৰ্গ। উপ-নিৰ্বাচনত অগপ দলৰ প্ৰাৰ্থিত্ব নাপাই বিসম্বাদ কৰা বঙাইগাঁও পৌৰসভাৰ উপ-পৌৰপতি শৈলেন্দ্ৰ সৰকাৰে দলত্যাগ কৰি নিৰ্দলীয়ভাৱে প্ৰতিদ্বন্দ্বিতা কৰে যদিও অগপৰ দুৰ্গত আঘাত হানিব নোৱাৰিলে। বৰং পূৰ্বৰ যি গৰিমা সেয়া অক্ষুন্ন ৰাখি বিজয়ৰ ধ্বজা উৰুৱাই ৰাখিবলৈ সক্ষম হল অগপ তথা এনডিএৰ প্ৰাৰ্থী দিপ্তীময়ী চৌধুৰীয়ে। বঙাইগাঁও সমষ্টিত একেটা পৰিয়ায়ৰ দুজনকৈ লোক তাতেই পতি-পত্নীক সংসদ আৰু আৰু অসম বিধানসভাৰ মজিয়াত দেখা যাব। পত্নী বিধায়ক, স্বামী সাংসদ হ'ল। আজি বঙাইগাঁও বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ ভোটগণনা বঙাইগাঁও কলেজত স্থাপন কৰা ভোটগণনা কেন্দ্ৰত ৰাতিপুৱাৰে অনুষ্ঠিত হয়। জিলা প্ৰশাসনে বঙাইগাঁও কলেজত স্থাপন কৰা ভোটগ্ৰহণ কেন্দ্ৰত মুঠ ১৫ খন টেবুলত ভোটগণনা কৰে নিৰ্বাচন বিভাগে। ১৮টা ৰাউণ্ডত ভোট গণনাৰ অন্তত অসম গণ পৰিষদৰ প্ৰাৰ্থী দিপ্তীময়ী চৌধুৰীয়ে ৭৪,৭৩৪টা ভোট লাভ কৰি বিজয়ী হয়। বঙাইগাঁৱত অগপৰ প্ৰাৰ্থী দিপ্তীময়ী চৌধুৰী ৩৭ হাজাৰ ভোটৰ ব্যৱধানত জয় লাভ কৰিছে। দিপ্তীময়ী চৌধুৰীয়ে ৭৪,৭৩৪টা, কংগ্ৰেছৰ প্ৰাৰ্থী ব্ৰজেনসিং সিংহাই ৩৯,৫৭০টা, অগপৰ বিসম্বাদী তথা নিৰ্দলীয় শৈলেন্দ্ৰ সৰকাৰে ১৩,৩৮১টা ভোট লাভ কৰিছে। নিৰ্দলীয় মৃত্যুঞ্জয় ৰাভাই ১,৩৪৫টা, অনুপ কুমাৰ কৰ্মকাৰে ৫,০১৩টা, গৌতম ৰায়ে ২,৮৯৬টা, দীপক দাসে ১,৮৬৮টা, ভদ্ৰেশ্বৰ বৰ্মনে ১,০৯৯টা ভোট লাভ কৰে। ৰাইজে ২,৭১৪টা নটা ভোট প্ৰদান কৰে। ইপিনে মিত্ৰদলৰ প্ৰাৰ্থী বিজয়ী হোৱাত অগপ আৰু বিজেপি দলৰ নেতা-কৰ্মী-সমৰ্থকসকলে আনন্দ উল্লাস কৰা দেখা যায়। বঙাইগাঁও কলেজ তথা ভোটগণনা কেন্দ্ৰৰ বাহিৰত নেতা-কৰ্মীসকলে ফটকা ফুটাই, বেণ্ড বজাই নাচ-গান কৰি আনন্দ-উল্লাস কৰে। আবতৰীয়া দেৱালী সদৃশ পৰিৱেশ দেখা যায়। বিজয়ী প্ৰাৰ্থীগৰাকী তথা নৱনিযুক্ত বিধায়িকাগৰাকীক লৈ বঙাইগাঁও চহৰত সমদল কৰি জিলা অগপৰ কাৰ্যালয়ত আদৰণি জনাই দলীয় কৰ্ম-কৰ্তাই। দিপ্তীময়ী চৌধুৰীয়ে বঙাইগাঁও সমষ্টিবাসীক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে উপ-নিৰ্বাচনৰ বাবে যি সহায়-সহযোগ কৰিলে তাক শলাগ লোৱাৰ লগতে সমষ্টিবাসীৰ আশা-আকাংশা, অভাৱ-অভিযোগ আদি সমাধান কৰাৰ বাবে চেষ্টা কৰিব বুলি প্ৰকাশ কৰে। এই জয় সমষ্টিবাসীৰ জয় বুলি প্ৰকাশ কৰি বঙাইগাঁও সমষ্টিত অগপৰ প্ৰতি যিদৰে ৰাইজৰ ভৰসা আছিল সেই ভৰসা অনাগত দিনবোৰতো একেই থাকিব বুলি উল্লেখ কৰি নতুন উদ্যমেৰে কাম কৰি সকলো সমস্যাৰ সমাধানত গুৰুত্ব দিব বুলি কয় বিজয়ী প্ৰাৰ্থীগৰাকীয়ে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# জয়ন্ত-পীযুষৰ আকৌ আক্ৰমণ

আক্ৰমণৰ লক্ষ্য কৰি লয় জয়ন্ত মল্লবৰুৱাই। অসমত বংশবাদ কেতিয়াও নচলে বুলি ৰকিবুল হুছেইনক কটাক্ষ কৰি বংশবাদ আৰম্ভ কৰাজনৰ দিনতে এতিয়া কংগ্ৰেছৰ ধ্বংস আৰম্ভ বুলি আক্ৰমণ কৰে। সামাজিক মাধ্যমত মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই এটা পোষ্ট দি কয় যে আগেয়ে কোৱাৰ দৰে আজি পুনৰবাৰ কৈছো। গৌৰৱ গগৈ কাগজৰ বাঘ। নীলা তেজৰ ৰাজনীতিৰ পৰিৱৰ্তে শ্ৰমিকৰ ঘামক উচিত সন্মান দিলে বিহালীৰ জনতাই। ৰাজনৈতিক জীৱনত প্ৰথমবাৰৰ বাবে এটা বিধানসভা সমষ্টিৰ দায়িত্ব লৈছিল গৌৰৱ গগৈয়ে। তেওঁৰ পাৰদৰ্শিতাৰ ৰিপ'ৰ্ট কাৰ্ড ইতিমধ্যে ৰাইজে পঢ়িলে। কথাই কথাই যোৰহাটৰ উদাহৰণ দিয়াসকলৰ বাবেও এয়া সমুচিত প্ৰত্যুত্তৰ। বংশবাদৰ ৰাজনীতিৰে কংগ্ৰেছ ধ্বংস-যজ্ঞৰ আৰম্ভণি কৰিছিল পিতৃয়ে। এতিয়া সেই মহাযজ্ঞত পূৰ্ণাহুতি দিছে পুত্ৰই। বিহালীত দিগন্ত ঘাটোৱাল জয়ী হোৱাত মন্ত্ৰী পীযুষ হাজৰিকাই সামাজিক মাধ্যমত বিহালীবাসীক কৃতজ্ঞতা কৃতজ্ঞতা জ্ঞাপন কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে বিজেপি দলক ৰোধ কৰিবলৈ কংগ্ৰেছ দলে সকলোপ্ৰকাৰৰ নিকৃষ্ট কৌশল অৱলম্বন কৰিলে, ভুৱা বাতৰি প্ৰচাৰ কৰিলে, দলীয় কৰ্মীৰ পৰা ধন আদায় কৰি তেওঁলোকৰ দলৰ নেতাই এমাহ সমষ্টিটোত বাহৰ পাতি প্ৰচাৰ চলালে। সদৌ শেষত কংগ্ৰেছ দলৰ এই সকলো নিকৃষ্ট ৰাজনীতিৰ বিপৰীতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়া আৰু আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা জনহিতৈষী নীতিৰ জয়লাভ হ'ল।

প্ৰথম পৃষ্ঠাৰ পৰা...

# আমানতৰ ধন হেৰুৱালে আপে

ফলাফলত অসমৰ দুই সমষ্টিত থিয় কৰোৱা প্ৰাৰ্থীৰ ভোটৰ সংখ্যা দেখি হয়তো লজ্জাবোধ কৰিছে অসমৰ আম আদমী পাৰ্টীৰ শীৰ্ষ নেতাসকলে। দুই সমষ্টি মিলি আপে ভোট লাভ কৰিছে মাথো ২১৫১টা ভোট। দিল্লী আৰু পঞ্জাৱত চৰকাৰ চলাই থকা ৰাষ্ট্ৰীয় দল হিচাপে স্বীকৃত আম আদমী পাৰ্টীয়ে অত্যুৎসাহী সিদ্ধান্ত লৈ অসমত অনুষ্ঠিত উপ-নিৰ্বাচনত দুই সমষ্টিত প্ৰাৰ্থী থিয় কৰাইছিল যদিও দুয়োটা সমষ্টিতে অতি লজ্জাজনকভাৱে পৰাজিত হৈছে আপৰ প্ৰাৰ্থী। বিহালীৰ আপৰ প্ৰাৰ্থী অনন্ত গগৈয়ে মাথো ১,২১৭টা ভোট লাভ কৰিছে। আনহাতে, চামগুৰি সমষ্টিত নুৰুল আমিন চৌধুৰীয়ে ৯৩৪টা ভোট লাভ কৰিছে। ৰাজ্যত অনুষ্ঠিত ৫ বিধানসভাৰ সমষ্টিৰ ভিতৰত দুটা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিছিল আম আদমী পাৰ্টীয়ে। আম আদমী পাৰ্টীয়ে বিহালী আৰু চামগুৰি সমষ্টিত প্ৰাৰ্থী থিয় কৰোৱাৰ দুঃসাহস কৰিছিল। গণ ভিত্তি তথা সাংগঠনিক ভেটি অবিহনে কেৱল নিৰ্বাচন খেলিব লাগে বাবেই প্ৰাৰ্থী থিয় কৰোৱা দলটোৰ দুয়োটা সমষ্টিত থিয় কৰোৱা প্ৰাৰ্থীৰ আমানতৰ ধন বাজেয়াপ্ত হৈছে। নিতৌ প্ৰেছ মিট, সামাজিক মাধ্যমত সক্ৰিয় থাকিলেই যে নিৰ্বাচনত জয়ী হ'ব নোৱাৰি সেয়াই যেন আজি প্ৰমাণ কৰিছে অসমৰ ৫ সমষ্টিৰ উপ-নিৰ্বাচনৰ ঘোষিত ফলাফলত আম আমদী পাৰ্টীৰ টিকটত প্ৰতিদ্বন্দ্বিতা কৰা দুই প্ৰাৰ্থীৰ অৱস্থাই।

# জাঁজী হাঁহচৰাত পথ দুৰ্ঘটনাত মটৰ চাইকেল আৰোহী নিহত

ই-সংবাদ, মৰিয়নি, ২৩ নবেম্বৰঃ যোৰহাট জিলাৰ টীয়ক আৰক্ষী থানাৰ অন্তৰ্গত জাঁজী হাঁহচৰাৰ পেট্ৰল পাম্পৰ সমীপত আজি সন্ধিয়া এক পথ দুৰ্ঘটনাত নিহত হয় বসন্ত হাজৰিকা (৩৭) নামৰ এজন যুৱক। জানিব পৰা মতে, হাজৰিকাই নিজা এএছ ০৩ জেদ ৭৯৩৩ নম্বৰৰ গ্লেমাৰ মটৰ চাইকেলখনেৰে শিৱসাগৰ দিশৰ পৰা টীয়ক অভিমুখে আহি থকা অৱস্থাত পথৰ ওপৰত বাগৰি পৰি গুৰুতৰভাৱে মূৰত আঘাত পায়। আহত যুৱকজনক ততাতৈয়াকৈ টীয়ক এফ আৰ ইউলৈ আনে যদিও চিকিৎসকে মৃত ঘোষণা কৰে। টীয়ক বঙালী গাঁও নিবাসী হাজৰিকাই মৃত্যুৰ সময়ত পিতৃ-মাতৃ ,পত্নী আৰু এগৰাকী কন্যা ইহ-সংসাৰত এৰি যায়। তেওঁৰ মৃত্যুত শোকৰ ছাঁ পৰিছে অঞ্চলটোত।

প্ৰথম পৃষ্ঠাৰ পৰা...

# মহাৰাষ্ট্ৰত এনডিএ, ঝাৰখণ্ডত ইণ্ডিয়া

প্ৰতিষ্ঠা কৰিবলৈ সমৰ্থ হৈছে বিজেপিয়ে। অক্টোবৰত হাৰিয়ানাৰ পিছত নৱেম্বৰত মহাৰাষ্ট্ৰত মহা বিজয় সাব্যস্ত কৰে গেৰুৱা দলটোৱে। এই দুয়োখন ৰাজ্যৰ লোকসভা নিৰ্বাচনত বিৰোধী দলৰ হাতত একপ্ৰকাৰ পৰাস্ত হ'বলগীয়াত পৰিছিল শাসকীয় দলটো। অৱশ্যে বিজেপিৰ অশ্বমেধৰ এই ঘোঁৰা পূব ভাৰতৰ ৰাজ্য ঝাৰখণ্ডত ৰৈ যাবলৈ বাধ্য হৈ পৰে। জনজাতি প্ৰধান ৰাজ্যখনত লোকসভা নিৰ্বাচনত ভাল ফল দেখুৱাবলৈ সমৰ্থ হ'লেও বিধানসভা নিৰ্বাচনত "ইণ্ডিয়া"ৰ হাতত ৰণত পৰে নৰেন্দ্ৰ মোডী-অমিত শ্বাহৰ দল। মন কৰিবলগীয়া যে, এইবাৰ দুখন ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ লগতে অসমসহ ১৪খন ৰাজ্যৰ উপ-নিৰ্বাচনত 'প্ৰতিষ্ঠান বিৰোধী ঢৌ'ৰ কোনো লক্ষণ দেখা নগ'ল। মহাৰাষ্ট্ৰত কংগ্ৰেছ, শিৱসেনা, এনচিপি (শৰদ)ৰ 'মহাবিকাশ অঘাড়ি'ক পৰাস্ত কৰি দুই তৃতীয়াংশতকৈ অধিক সংখ্যাগৰিষ্ঠতাৰে পুনৰ ক্ষমতালৈ আহিছে বিজেপি-শিৱসেনা (একনাথ শিন্দে)-এনচিপি (অজিত)ৰ মিত্ৰজোঁট 'মহাযুটি। একেদৰে, ঝাৰখণ্ডতো শাসকীয় জেএমএম-কংগ্ৰেছৰ মিত্ৰজোঁটেই জয়ৰ ধাৰাবাহিকতা অক্ষুন্ন ৰাখিছে। অনুৰূপধৰণে উপ-নিৰ্বাচনত অসমত বিজেপি, পশ্চিমবংগত তৃণমূল কংগ্ৰেছ, পঞ্জাৱত আপ, কৰ্ণাটকত কংগ্ৰেছ, উত্তৰপ্ৰদেশত বিজেপিয়ে 'শাসকদল সুলভ' আধিপত্য বৰ্তাই ৰখাত সফল হৈছে। অসমৰ উপ-নিৰ্বাচনত বিজেপিয়ে কংগ্ৰেছক শূন্য কৰি পেলোৱাৰ অনুৰূপ ধৰণে পশ্চিমবংগত মমতা বেনাৰ্জীৰ তৃণমূল কংগ্ৰেছে ৰাজ্যখনৰ ৬টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনত বিজেপিক শূন্য কৰি তুলিছে। কেবাটাও সমষ্টিত আনকি বিজেপিৰ প্ৰাৰ্থীৰ আমানতৰ ধন পৰ্যন্ত বাজেয়াপ্ত হয়। উত্তৰ প্ৰদেশত ৯টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনত ২টাত বিৰোধী সমাজবাদী পাৰ্টীয়ে জয়লাভ কৰাৰ বিপৰীতে ৭টাতেই জয়ী হয় বিজেপি। এইবাৰ মহাৰাষ্ট্ৰৰ নিৰ্বাচনত মহিলা ভোটাৰে গুৰুত্বপূৰ্ণ ভূমিকা লাভ কৰা দেখা গৈছে। মধ্যপ্ৰদেশৰ অনুৰূপ ধৰণে মুখ্যমন্ত্ৰী একনাথ সিন্ধেৰ 'লাদলী বাহিন যোজনা'ৰ বাবে মহিলাসকলে একপক্ষীয়ভাৱে এনডিএক ভোট দিয়া বুলি অনুমান কৰা হৈছে। নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত মুখ্যমন্ত্ৰী সিন্ধেই মহিলাসকলক দিয়া আৰ্থিক সাহায্যৰ পৰিমাণ ১৫০০ টকাৰ পৰা ২১০০ টকালৈ বৃদ্ধি কৰাৰ প্ৰতিশ্ৰুতি দিছিল। বিপৰীতে বিৰোধী শিবিৰে মহিলাসকলক তিনি হাজাৰ টকাকৈ দিয়াৰ প্ৰতিশ্ৰুতি দিছিল যদিও ৰাইজে সিন্ধেকেই আস্থাত লোৱা পৰিলক্ষিত হয়। ফলস্বৰূপে ২৮৮টা সমষ্টিৰে গঠিত মহাৰাষ্ট্ৰৰ বিধানসভা নিৰ্বাচনত বিজেপিয়ে অকলেই দখল কৰে ১৩২ খন আসন। শিৱসেনাৰ সিন্ধে গোট বিজয়ী হৈছে ৫৭ খন আসনত আৰু অজিত পাৱাৰ নেতৃত্বাধীন এনচিপিয়ে লাভ কৰে ৪১ খন আসন। বিপৰীতে, কংগ্ৰেছে মাত্ৰ ১৬খন, শিৱসেনাৰ উদ্ধৱ থাকৰে গোটে ২০ খন আৰু এনচিপিৰ শাৰদ পাৱাৰ গোটে লাভ কৰে ১০ খন আসন। সমাজবাদী পাৰ্টীয়ে ২খন আৰু অন্যান্যই ১০খন আসনত জয়ী হয়। দেশৰ দ্বিতীয় বৃহৎ ৰাজ্যখনত বিজেপিয়ে বিভাজনৰ ৰাজনীতিৰে দুই আঞ্চলিক দলক ভাগ ভাগ কৰা বাবেই এনেদৰে যুটিৰ জোৰত সহজতে বৃহৎ জয় লাভ কৰিবলৈ সমৰ্থ হয়। আনহাতে, ঝাৰখণ্ডত চল, বল, কৌশল সকলো প্ৰয়োগ কৰিও চৰকাৰ গঠনত ব্যৰ্থ হয় বিজেপি। জনজাতিপ্ৰধান ৰাজ্যখনত জেললৈ গৈয়ো মুখ্যমন্ত্ৰী হেমন্ত ছোৰেনে নিজৰ দল জেএমএমক ৩৪খন আসনত জয়ী কৰাবলৈ সমৰ্থ হয়। জেএমএমৰ সহযোগী কংগ্ৰেছে ১৬খন, আৰজেডিয়ে ৪খন আৰু চিপিআইএমএলে ২খন আসনত বিজয় সাব্যস্ত কৰে। বিজেপিয়ে মাত্ৰ ২১খন আসনতহে জয় লাভ কৰে। ৮১টা বিধানসভা সমষ্টিৰে গঠিত ৰাজ্যখনত ইণ্ডিয়া মিত্ৰজোঁটে ৫৬খন আসন লাভ কৰাৰ বিপৰীতে এনডিএই ২৪খনতে সন্তুষ্ট থাকে। ইফালে মহাৰাষ্ট্ৰত মহাবিজয় লাভ কৰাৰ পিছতে বিৰোধী কংগ্ৰেছক আক্ৰমণৰ লক্ষ্য কৰি লয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। ক্ষমতাৰ ভোকত ভোকাতুৰ হৈ থকা কংগ্ৰেছে আজি পুনৰ সকলো হেৰুৱাই পেলাইছে বুলি দাবী কৰে মোদীয়ে। দলীয় কাৰ্যকৰ্তাসকলক সম্বোধন কৰি দিল্লীৰ বিজেপিৰ মুখ্য কাৰ্যালয়ত দিয়া ভাষণত মোদীয়ে কংগ্ৰেছত আভ্যন্তৰীণ কলহ বৃদ্ধি পাইছে বুলিও কয়। তেওঁ কয় যে কংগ্ৰেছে সদায়েই আৰ্বান নক্সালবাদক প্ৰাধান্য দি আহিছে আৰু এয়া দেশৰ বাবে বিপদজনক। কংগ্ৰেছ এতিয়া নিজে ডুবাৰ লগতে আনকো ডুবোৱা দলত পৰিণত হৈছে বুলিও কটাক্ষ কৰে মোদীয়ে। আজিৰ এই ফলাফলৰ পৰিপ্ৰেক্ষিতত বিৰোধী দলপতিবিহীন হৈ পৰিব মহাৰাষ্ট্ৰ বিধানসভা। ২৮৮খন আসনৰ মহাৰাষ্ট্ৰ বিধানসভাত বিৰোধী দলৰ নেতা পদৰ বাবে এটা দলে মুঠ আসনৰ ১০ শতাংশ অৰ্থাৎ ২৯খন আসন নিশ্চিত কৰিব লাগে। বৰ্তমান পৰিস্থিতিত সেই ঠাইত বিৰোধী শিবিৰত কোনো দল নাই। কিয়নো বিৰোধীৰ কোনো এটা দলে এইবাৰ এককভাৱে ২৯খন আসন লাভ কৰিবলৈ সমৰ্থ হোৱা নাই। উল্লেখ্য যে, বিজেপিয়ে চক্ৰান্ত কৰি শিৱসেনা আৰু এনচিপি দল দুটাক ভাগ ভাগ কৰি দিয়াৰ পিছতে শিৱসেনাৰ উদ্ধৱ থাকৰে আৰু এনচিপিৰ শাৰদ পাৱাৰ গোটে সহানুভূতি হিচাপে ভোট লাভ কৰিব বুলি আশা কৰিছিল। কিন্তু ৰাজনীতিত তেনে কোনো সহানুভূতি যে বাস্তৱত নাথাকে সেয়া পুনৰ প্ৰমাণ কৰি দিলে আজিৰ ফলাফলে। বিপৰীতে মহাৰাষ্ট্ৰৰ জনতাই বালাসাহেব থাকৰেৰ প্ৰকৃত উত্তৰাধিকাৰী হিচাপে এতিয়া তেওঁৰ পুত্ৰ উদ্ধৱ থাকৰেৰ পৰিৱৰ্তে একনাথ সিন্ধে গোটকহে হিয়া উজাৰি ভোট দিয়া পৰিলক্ষিত হয়। একেই কথা দেখা গ'ল এনচিপিৰ ক্ষেত্ৰতো। শাৰদ পাৱাৰ গোটৰ পৰিৱৰ্তে জনতাই বিশ্বাসঘাটক অজিত পাৱাৰকে অধিক আসন প্ৰদান কৰে। আনহাতে কংগ্ৰেছ দলটো নিজৰ আভ্যন্তৰীণ কলহৰ পৰিপ্ৰেক্ষিততে শোচনীয় পৰিস্থিতিৰ সন্মুখীন হবলগীয়াত পৰে। বিপৰীতে বিজেপিয়ে অতি সুচতুৰভাৱে দুটা প্ৰধান দলক ভাঙি সেই দল দুটাৰ সমৰ্থকৰ ভোটো নিজৰ ফলীয়া কৰি লৈ আসন বৃদ্ধি কৰিবলৈ সমৰ্থ হৈছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# আন দলক জয়ী কৰাই ফুৰা পিকে পৰাস্ত

দলক ক্ষমতালৈ আনিছিল যদিও সংসদীয় ৰাজনীতিত সমুখলৈ আহিয়েই মুখথেকেচা খাবলগীয়াত পৰিছে 'পিকে' হিচাপে খ্যাত নিৰ্বাচনী ৰণনীতিকাৰ প্ৰশান্ত কিশোৰ। বিহাৰৰ উপ-নিৰ্বাচনত চাৰিখন বিধানসভাৰ আসনৰ চাৰিওখন আসনতে প্ৰথমবাৰৰ বাবে প্ৰতিদ্বন্দিতা কৰিয়েই পৰাস্ত হ'ল পিকেৰ নতুন দল জন সুৰজ। বিহাৰৰ ইমামগঞ্জত জিতেন্দ্ৰ পাছৱান, বেলাগাঞ্জত মহম্মদ আমজাদ, ৰামগড়ত সুশীলকুমাৰ সিঙ আৰু তাৰাৰীৰ সমষ্টিত কিৰণ সিঙক নিৰ্বাচনী যুঁজত অৱতীৰ্ণ কৰাইছিল পিকেই। কিন্তু আটাইকেইটা সমষ্টিতে আমানতৰ ধন বাজেয়াপ্ত হয় পিকেৰ দলৰ প্ৰাৰ্থীকেইগৰাকীৰ। উল্লেখ্য যে, ২ অক্টোবৰত বিহাৰৰ পাটনাত পিকেৰ দল জন সুৰজে আত্মপ্ৰকাশ কৰে। সেইদিনা তেওঁ দাবী কৰিছিল যে জন সুৰজে ৰাজনৈতিক ক্ষেত্ৰখনত প্ৰৱেশ কৰিলে নীতিশ কুমাৰৰ জনতা দল ইউনাইটেডে ২০খনতকৈ অধিক আসন নাপাব। তেওঁ আত্মবিশ্বাসী হোৱাৰ কাৰণো দাঙি ধৰিছিল। তেওঁ কৈছিল, "কোনোবাই যদি আনক জিকাব পাৰে, তেন্তে নিজেই কিয় জয়ী হ'ব নোৱাৰিব?" পিছে উপ-নিৰ্বাচনৰ ফলাফল ঘোষণাৰ পিছতে চাৰিটা বিধানসভা সমষ্টিত বিপুল ব্যৱধানত পৰাস্ত হয় পিকৰ দল। এটাও সমষ্টিত দ্বিতীয় স্থানলৈও আহিবলৈ সমৰ্থ নহ'ল পিকেৰ দল। বিগত এটা দশক ধৰি ধাৰাবাহিকভাৱে প্ৰশান্ত কিশোৰে বিভিন্ন ৰাজনৈতিক দলৰ জয়ত মুখ্য ভূমিকা পালন কৰি আহিছে। তেওঁৰ 'জন সুৰজ' অভিযানে বিগত দুবছৰ ধৰি বিহাৰৰ বিভিন্ন ৰাজনৈতিক কাৰ্যকলাপৰ সৈতে জড়িত হৈ আহিছে। প্ৰান্তীয় লোকৰ শিক্ষা, স্বাস্থ্য, কৰ্মসংস্থাপনৰ দৰে বিষয়ত চৰকাৰক হেঁচা প্ৰয়োগ কৰি এই কাৰ্যসূচী আৰম্ভ কৰা হৈছিল। ২০২২ চনত গান্ধী জয়ন্তীৰ দিনৰে পৰা আৰম্ভ হৈছিল 'জন সুৰজ'ৰ প্ৰাৰম্ভিক পৰ্যায়ৰ যাত্ৰা। দুবছৰৰ পাছত একেদিনাই 'জন সুৰজ'-এ পাটনাত ৰাজনৈতিক দল হিচাপে আত্মপ্ৰকাশ কৰে। প্ৰথমবাৰৰ বাবে চাৰিখন বিধানসভা আসনত নিৰ্বাচনত অৱতীৰ্ণ হৈ চাৰিওখন আসনতে পৰাস্ত হয় ইলেকশ্যন মাষ্টাৰ পিকেৰ দল। ইমান দিনে ইটোৰ পিছত সিটো ৰাজনৈতিক দলক আঙুলিৰ টিপতে জয়ৰ সোৱাদ দি অহা পিকেই কিয় মাত্ৰ এখন হ'লেও আসনত নিজক জয়ী কৰাবলৈ সমৰ্থ নহ'ল সেই লৈ এতিয়া বিহাৰৰ লগতে সমগ্ৰ দেশৰ ৰাজনৈতিক মহলত ব্যাপক চৰ্চা চলা দেখা গৈছে। উল্লেখ্য যে, বিহাৰৰ ৫টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ ৩টা সমষ্টিতেই জয়ী হৈছে বিজেপি। বাকী দুটা সমষ্টিৰ এটাত জেডিইউ আৰু এটাত হাম দল জয়ী হৈছে।

# শিৱসাগৰত বিশিষ্ট কথাশিল্পী ইমৰান শ্বাহৰ ৯২ সংখ্যক ওপজা দিন উদযাপন

**ই-সংবাদ, শিৱসাগৰ, ২৩ নৱেম্বৰঃ** শিৱসাগৰ নগৰৰ ধাইআলিস্থিত পদ্মশ্ৰী ইমৰাণ শ্বাহৰ বাসভৱনত অনুষ্ঠিত হোৱা তেওঁৰ ৯২ সংখ্যক ওপজা দিনৰ বিশেষ কাৰ্যসূচীত অগণন শুভাকাংক্ষীৰ শুভেচ্ছা গ্ৰহণ কৰি কথাশিল্পীগৰাকীয়ে আবেগিক হৈ সকলোকে কৃতজ্ঞতা জনোৱাৰ লগতে এনেকৈয়ে সকলোকে লগ পাই থাকিলে কাম কৰাৰ সাহস পাম বুলি উল্লেখ কৰে। সাহিত্যিকগৰাকীৰ বৰ জীয়াৰী ইশ্বানু শ্বাহে আঁত ধৰা কাৰ্যসূচীত সাহিত্যিকগৰাকীক তেওঁৰ তিনি নাতি-নাতিনী ৰিম, এহচাচ আৰু ৰেয়ানে শুভেচ্ছা জনোৱাৰ পিছতেই তেওঁৰ গুণমুগ্ধই কিতাপৰ টোপোলা, গামোচা, ফুলৰ থোপা আদিৰে জন্মদিনৰ শুভেচ্ছা জ্ঞাপন কৰে। সাহিত্যিকগৰাকীয়ে নতুন প্ৰজন্মৰ লেখক-লেখিকাসকলৰ উদ্দেশ্যি কয় যে, কঠোৰ পৰিশ্ৰমৰ অবিহনে লেখকৰ জীৱনত অন্য স্থিৰ পথ নাই। তেওঁলোকে পৰিশ্ৰমৰ লগতে গভীৰ অধ্যয়ন আৰু লিখাৰ যত্ন ল'ব লাগিব বুলি ব্যক্ত কৰে। অসমীয়া মাধ্যমৰ বিদ্যালয়সমূহৰ বহু সংখ্যক বিদ্যালয় বন্ধ হৈ পৰাৰ কাৰণৰ সন্দৰ্ভত সাংবাদিকে সোধা এক প্ৰশ্ন উত্তৰত সাহিত্যিকগৰাকীয়ে কয় যে, এখন বিদ্যালয় এটা জাতীয় সম্পদ। সেই সম্পদ কোনোবাই নষ্ট কৰি দিব সেইটো সহজ কথা নহয়। এই ক্ষেত্ৰত ৰাইজ সচেতন হ'ব লাগিব বুলি উল্লেখ কৰে।শিৱসাগৰ জিলা সাহিত্য সভাৰ উদ্যোগত অনুষ্ঠিত অনুষ্ঠানত সাহিত্যিকগৰাকীৰ ৰচনাৱালীৰ তৃতীয় খণ্ড আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। বৃহৎ কলেবৰৰ এই গ্ৰন্থ উন্মোচন কৰি সাহিত্যিক গৰাকীৰ বাল্যবন্ধু ডাঃ দেৱেন গগৈয়ে ল'ৰালি কালৰ বহু কথা ৰোমন্থন কৰি আজিৰ অনুষ্ঠানত বন্ধুৰ ৰচনাৱলী উন্মোচন কৰি আত্মহাৰা হৈ পৰে। আজিৰ মুহূৰ্ততো কোনোদিনে পাহৰিব নোৱাৰি বুলি ব্যক্ত কৰি বন্ধুক জন্মদিনৰ ওলগ জ্ঞাপন কৰি আৰু অধিক সাহিত্য সৃষ্টি কৰি যাবলৈ অনুপ্ৰেৰণা দিয়ে। সন্তোষ দত্তই আঁত ধৰা অনুষ্ঠানত জিলা উন্নয়ন আয়ুক্ত সমীৰন বৰা, স্মৃতিৰেখা গগৈ, প্ৰেম গগৈ, স্বৰ্ণজ্যোতি বৰা বৰবৰা, জিলা সাহিত্য সভাপতি ডঃ নিৰুপমা মহন্ত, স্নিগ্ধাৰাণী গগৈয়ে শুভেচ্ছামূলক বক্তব্য প্ৰদান কৰা অনুষ্ঠানত শিৱসাগৰ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপিকা ডঃ ৰীতামনি বৰাই কথাশিল্পী ইমৰান শ্বাহৰ সাহিত্য কৰ্মৰ এক অবলোকন দাঙি ধৰাৰ লগতে শ্বাহ চাৰৰ চুটিগল্পৰ সন্দৰ্ভত এক মনোজ্ঞ বক্তব্য প্ৰদান কৰে। জিলা সাহিত্য সভাৰ প্ৰাক্তন সম্পদক যোগ গগৈ, শিক্ষাবিদ চিন্তাশীল লেখক ডঃ জ্যোতিপ্ৰসাদ শইকীয়া, ডঃ প্ৰকাশ কটকী, আব্দুল জেলিল,প্ৰেম গগৈ, বিনোৱা টায়ে, ৰালিউল্লাহকে আদি কৰি সাহিত্যিক গৰাকীৰ ভালেমান গুণমুগ্ধ উপস্থিত থাকে। উল্লেখযোগ্য যে, ১৯৩৩ চনত শিৱসাগৰৰ ধাই আলিত জন্ম গ্ৰহণ কৰিছিল ইমৰান শ্বাহে। তেওঁৰ পিতৃ মহম্মদ শ্বাহ আৰু মাতৃ মৰিয়ম নিচা। ধাইআলিৰ ২ নং প্ৰাথমিক বিদালয়ত শিক্ষা জীৱনৰ আৰম্ভ কৰি শিৱসাগৰ চৰকাৰী হাইস্কুল, কটন কলেজ, শিৱসাগৰ কলেজ আদিত উচ্চশিক্ষা সম্পন্ন কৰে। নৱম শ্ৰেণীত থাকোতেই ১৯৫১ চনত প্ৰকাশ পাই তেওঁৰ প্ৰথম কাব্য সংকলন "বনবাসী"। ৰামধেনু যুগৰ এগৰাকী অন্যতম শ্ৰেষ্ঠ গল্পকাৰ ইমৰান শ্বাহৰ ইতিমধ্যে ৮ খন গল্প সংকলন, ১০ খন উপন্যাস, ২ খন প্ৰবন্ধ সংকলন, ১ খন জীৱনী, ৩ খন অনুদিত গল্প আৰু কেইবাখনো সম্পাদিত গল্প সংকলন, তিনি খন কাব্য সংকলন আৰু ১খন গীতৰ গ্ৰন্থ প্ৰকাশ পাইছে। ২০১২ চনৰ অসম সাহিত্য সভাৰ বৰপেটা অধিবেশনৰ সভাপতি পদ অলংকৃত কৰা শ্বাহে তেওঁৰ সুকীয়া গদ্য ৰীতি আৰু সাহিত্য কৰ্মৰ বাবে সন্মানীয় অসম উপত্যকা বঁটাৰ লগতে আজানপীৰ বঁটা লাভ কৰিছে। ভাৰত চৰকাৰৰ পৰা পদ্মশ্ৰী সন্মান লাভ কৰা বৰেণ্য সাহিত্যিক গৰাকীৰ আজি ৯২ সংখ্যক ওপজা দিনত অগণন গুণমুগ্ধই তেখেতক বিভিন্ন উপহাৰে জন্মদিনৰ ওলগ জনোৱা অনুষ্ঠানত ডঃ জ্যোতিপ্ৰসাদ শইকীয়াৰ প্ৰকাশিত কবিতা " প্ৰাজ্ঞতনু " কবিতাটি মিলন খনিকৰে আবৃত্তি কৰাৰ উপৰিও নাজিম আলী, প্ৰবীণ হাজৰিকা,প্ৰভাত কোৱৰে শ্বাহ চাৰৰ গীত পৰিৱেশন কৰাৰ লগতে কণমানি জ্যোতিস্মান ফুকন, লীজা সন্দিকৈয়ে গীত পৰিৱেশন কৰে। অনুষ্ঠানত ৰবাৰ্ট ফষ্টৰ ষ্টপিং বাই ওদছ অন এ স্নয়ী ইভিনিং কবিতাটি আস্হা ভৰালীয়ে পাঠ কৰাৰ পিছতেই ইমৰান শ্বাহে অসমীয়ালৈ অনুবাদ কৰা কবিতাটি আবৃত্তি কৰে পল্লৱী ফুকনে। হাৰেজা বেগমে কবিতা আবৃত্তি কৰাৰ লগতে জেহিৰুদ্দিন খানৰ প্ৰকৃতি আৰু স্বাস্থ্য গ্ৰন্থখনি ইমৰান শ্বাহে উন্মোচন কৰা অনুষ্ঠানত অসম আদিত্য কাকতত আজি প্ৰকাশিত সাংবাদিক অনন্ত স্মিথৰ লেখা পাঠ কৰে নৱনীত হাজৰিকাই। নেহা যোগ প্ৰশিক্ষণ কেন্দ্ৰ, অসম উন্নতি সভা, শিৱসাগৰ প্ৰেচ ক্লাব, দিচাং ধাইআলি উচ্চতৰ মাধ্যমিক বিদ্যালয়, শিৱসাগৰ যুবদল, শিৱসাগৰ ছোৱালী মহাবিদ্যালয়, শিৱসাগৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমূখী বিদ্যালয়, উজনি অসম মুছলিম কল্যাণ পৰিষদ, সাংস্কৃতিক মহাসভা, অনুশীলন গোট, আজানপীৰ ভৱন আৰু গৱেষণা কেন্দ্ৰ, শিৱসাগৰ জিলা কবিতা আবৃত্তি পৰিষদ, আসাম টক, অসম নাট্য সন্মিলন, নিউ লুক একাডেমী, শিৱসাগৰ কবি চক্ৰ, আৰোহণ কলা-সংস্কৃতি অনুষ্ঠান, শিৱসাগৰ ই-ৰিক্সা সংস্থা, ২ নং ধাইআলি লৰা প্ৰাথমিক বিদ্যালয়, ন- মাটি, জয়সাগৰ, অৰুণোদয়, শিমলুগুৰি, চাৰিং, ৰুদ্ৰসাগৰ, ধিতাইপুখুৰী, নাজিৰা, জাজী, মুকুল, সমন্বয় শাখা সাহিত্য সভাৰ লগতে শিৱসাগৰ জিলাখনৰ ভিন্ন প্ৰান্তৰ শতাধিক অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ব্যক্তিয়ে সাহিত্যিকগৰাকীক গামোচা, চেলেং, কিতাপৰ টোপোলা, গছপুলি, সম্বৰ্দ্ধনা পত্ৰ প্ৰদান কৰে।

# মৰিগাঁৱৰ ঘনকান্ত বৰুৱা মহাবিদ্যালয়ত জিলা যুৱ উৎসৱ

**ই-সংবাদ, লাহৰীঘাট, ২৩ নৱেম্বৰঃ** যুৱ শক্তিয়ে দেশৰ ভৰষা। যুৱ শক্তিয়েই দেশৰ ভৱিষ্যত। এখন উন্নত ৰাষ্ট্ৰৰ বাবে প্ৰয়োজন এদল বিদ্যৱান, গুণৱান, চৰিত্ৰৱান যুৱক-যুৱতীৰ দলৰ, যিয়ে দেশক সকলো ক্ষেত্ৰতে নেতৃত্ব দিব পাৰিব।- এই মন্তব্য মৰিগাঁও জিলা আয়ুক্ত দেৱাশিষ শৰ্মাৰ। যুৱ শক্তিক দেশ নিৰ্মাণৰ বাবে সুনিৰ্দিষ্ট লক্ষ্যৰে আগবাঢ়ি আহিবলৈ আহ্বান জনোৱাৰ লগতে এটা আকৰ্ষণীয় গল্পৰ জৰিয়তে উপস্থিত যুৱক-যুৱতীসকলক মন্ত্ৰমুগ্ধ কৰি তোলে মৰিগাঁও জিলা আয়ুক্ত দেৱাশিষ শৰ্মাই। আজি নেহেৰু যুৱ কেন্দ্ৰ মৰিগাঁৱে মৰিগাঁও জিলা প্ৰশাসনৰ সহযোগত ঘনকান্ত বৰুৱা মহাবিদ্যালয়ত দিনজোৰা কাৰ্যসূচীৰে আয়োজন কৰা জিলা যুৱ উৎসৱত মুখ্য অতিথি হিচাপে উপস্থিত থাকি জিলা আয়ুক্ত দেৱাশিষ শৰ্মাই নেহেৰু যুৱ কেন্দ্ৰ মৰিগাঁৱৰ যুৱ উন্নয়নৰ কাৰণে আয়োজন কৰা কাৰ্যসূচীৰ বাবে শলাগ লয় আৰু বঁটা বিজয়ী যুৱক-যুৱতীসকলক বঁটা প্ৰদান কৰাৰ লগতে অভিনন্দন জ্ঞাপন কৰে। বিশিষ্ট সাহিত্যিক মিলেশ্বৰ পাটৰে বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰা দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত চিত্ৰাংকন, ফটোগ্ৰাফী, কবিতা লিখা, দলীয় নৃত্য, বিজ্ঞান প্ৰদৰ্শনী আৰু বক্তৃতা প্ৰতিযোগিতাৰ লগতে সাংস্কৃতিক দলৰ তিৱা লোক নৃত্য, সত্ৰীয়া নৃত্য, বিহু নৃত্য আৰু বিভিন্ন জনগোষ্ঠীৰ সমন্বয় নৃত্যৰে উখল-মাখল পৰিৱেশৰ সৃষ্টি হয় মহাবিদ্যালয়খনত। যুৱ মহোৎসৱৰ লগত সংগতি ৰাখি ঘনকান্ত বৰুৱা মহাবিদ্যালয়ৰ চৌহদত আয়োজন কৰা হয় এখনি আকৰ্ষণীয় প্ৰদৰ্শনী। উক্ত প্ৰদৰ্শনীত আত্মসহায়ক গোট, গ্ৰাম্য সংগঠন আৰু বিভিন্ন বিভাগৰ অংশগ্ৰহণ কৰে। নেহেৰু যুৱ কেন্দ্ৰ মৰিগাঁৱৰ গাণনিক আৰু কাৰ্যসূচী বিষয়া ধনঞ্জয় তালুকদাৰে সঞ্চালনা কৰা সভাখনত নেহৰু যুৱ কেন্দ্ৰৰ জিলা যুৱ বিষয়া বিকাশ চন্দ্ৰ প্ৰধানে উদ্দেশ্য ব্যাখ্যা আৰু আদৰণি ভাষণ আগবঢ়ায়। বঁটা বিতৰণী অনুষ্ঠানত ঘনকান্ত বৰুৱা মহাবিদ্যালয়ৰ উপাধ্যক্ষা অমিয়া মহন্ত, বিশিষ্ট সাহিত্যক লিখক মিলেশ্বৰ পাতৰ, ঘনকান্ত বৰুৱা মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক সুশীল কুমাৰ শইকীয়া আৰু কৈলাশ চৌহান বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে।

# অসম আন্দোলনৰ কৰ্মী, সমাজকৰ্মী জিতু শৰ্মাৰ স্মৃতিত 'জিতুস্মৰণ' উন্মোচন

**ই-সংবাদ, পুৰণিগুদাম, ২৩ নৱেম্বৰঃ** অসম আন্দোলনৰ সক্ৰিয় কৰ্মী,অৱসৰপ্ৰাপ্ত বেংক বিষয়া, বিশিষ্ট সমাজকৰ্মী তথা বঢ়মপুৰ প্ৰেছ ক্লাবৰ উপদেষ্টা জিতু শৰ্মাৰ পবিত্ৰ স্মৃতিত এখন স্মৰণিকা আজি উৰিয়াগাঁওস্থিত তেওঁৰ বাসগৃহ প্ৰাংগণতে অনুষ্ঠিত হোৱা এক সভাত উন্মোচন কৰা হয়। বঢ়মপুৰ প্ৰেছ ক্লাবৰ ব্যৱস্থাপনাত অনুষ্ঠিত হোৱা সভাখনত প্ৰয়াত জিতু শৰ্মাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণেৰে স্মৰণিকা উন্মোচনী সভাখন শুভাৰম্ভ কৰে প্ৰয়াত শৰ্মাৰ বৰ্ষীয়ান খুৰায়েক তথা ধৰ্মপ্ৰাণ ব্যক্তি গোবিন শৰ্মাই। ইয়াৰ পিছতে বঢ়মপুৰ প্ৰেছ ক্লাবৰ সভাপতি যতীন্দ্ৰ কুমাৰ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনত সাংবাদিকদ্বয় জয়ন্ত বৰা আৰু নিপুল বৰাৰ সম্পাদনাত প্ৰকাশিত স্মৰণিকা "জিতুস্মৰণ" উন্মোচন কৰে অৱসৰপ্ৰাপ্ত অধ্যক্ষ প্ৰদীপ গোস্বামীয়ে।উন্মোচক গোস্বামীয়ে তেওঁৰ ভাষণত প্ৰয়াত জিতু শৰ্মাৰ জীৱন আৰু কৰ্মৰাজিৰ ওপৰত আলোকপাত কৰি আৰু কয়, স্মৰণিকাখন সৰ্বাংগসুন্দৰ হৈছে আৰু ইয়াৰ জৰিয়তে সমাজলৈ এক ইতিবাচক বাৰ্তা কঢ়িয়াই অনাই নহয়,বিভিন্ন গুণৰ অধিকাৰী জিতু শৰ্মাৰ সম্পৰ্কত পাঠক সমাজে বহুখিনি কথা জানিব পাৰিব। বঢ়মপুৰ প্ৰেছ ক্লাবৰ সম্পাদক নিপুল বৰাই আঁট ধৰা সভাখনত অৱসৰপ্ৰাপ্ত অধ্যক্ষ সত্য প্ৰসাদ শৰ্মাই ভাষণ প্ৰসংগত কয় যে জিতু শৰ্মাৰ চিন্তাধাৰা বহু যোগাত্মক আৰু আশাবাদী আছিল। তেওঁ উদালী হাইস্কুলত শিক্ষকতা কৰি মোৰ লগত একেলগে কৰ্মজীৱনৰ পাতনি মেলিছিল। সামাজিক-সাংস্কৃতিক ক্ষেত্ৰখনত কাম কৰাৰ ক্ষেত্ৰত জিতু শৰ্মাই সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছিল।এনে এগৰাকী সমাজপ্ৰিয় ব্যক্তিৰ অভাৱ অঞ্চলটোৱ ৰাইজে অনাগত দিনত অনুভৱ কৰিব লাগিব বুলি মন্তব্য কৰে।সভাত বিশিষ্ট কবি-লেখক ডাঃ হেমন্ত কুমাৰ গোস্বামীয়ে কয় যে প্ৰয়াত জিতু শৰ্মাৰ স্মৃতিত "জিতুস্মৰণ" নামৰ যিখন স্মৰণিকা প্ৰকাশ পাইছে, এই গ্ৰন্থখন একোখন স্মৃতিৰ দলিল স্বৰূপ। তেওঁৰ আদৰ্শ আৰু কৰ্মৰাজি সমাজৰ আগত প্ৰতিফলিত কৰাৰ উদ্দেশ্যৰে বঢ়মপুৰ প্ৰেছ ক্লাবৰ লগতে পৰিয়ালবৰ্গই স্মৰণিকা প্ৰকাশ কৰাৰ যি পদক্ষেপ গ্ৰহণ কৰিছে এয়া সঁচাকৈয়ে প্ৰশংসনীয় কাম হৈছে বুলি ভাষণত গোস্বামীয়ে উল্লেখ কৰে। সভাত বিশিষ্ট নাট্যকৰ্মী কমলেশ শইকীয়াই কয় যে প্ৰয়াত জিতু শৰ্মা এজন উচ্চ চিন্তাধাৰা তথা দূৰদৰ্শী ব্যক্তি আছিল। বিদেশী বিতাড়ন আন্দোলনতো তেওঁ সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছিল। জাতীয়তাবাদী আদৰ্শৰে উদ্বুদ্ধ হৈ সমাজখনক আগুৱাই নিয়াৰ ক্ষেত্ৰত তেওঁ উল্লেখনীয় ভূমিকা গ্ৰহণ কৰিছিল। সভাত পৰিয়ালৰ ফালৰ পৰা মৃদুল কুমাৰ শৰ্মাই জিতু শৰ্মাৰ অতীত স্মৃতি ৰোমন্থন কৰি আবেগিক হৈ পৰে। স্মৰণিকাখনৰ উন্মোচনী সভাত সমাজকৰ্মী ক্ষেমকান্ত শৰ্মা, অৱসৰপ্ৰাপ্ত শিক্ষক দুলাল চন্দ্ৰ শৰ্মা ক্ষীৰ শৰ্মা, দুলাল চন্দ্ৰ বৰা, অচ্যুত চন্দ্ৰ শৰ্মা, সাংবাদিক বৰুণ জ্যোতি নেওগ,পদ্ম হাজৰিকা প্ৰমুখ্যে বহু গণ্য-মান্য লোক উপস্থিত থাকে।

# অভিশপ্ত গড়েৰহাট! ভয়ংকৰ পথ দুৰ্ঘটনাত নিহত তিনি যুৱক

**ই-সংবাদ, গোলকগঞ্জ, ২৩ নৱেম্বৰঃ** ধুবুৰী জিলাৰ আগমনি থানাৰ অন্তৰ্গত গড়েৰহাটৰ ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথত যোৱা নিশা ১১.৩০ বজাত সংঘটিত এক পথ দুৰ্ঘটনাত তিনিজন যুৱক নিহত হোৱাৰ লগতে গুৰুতৰভাৱে এজন লোক আহত হয়। এই হোৱা ঘটনাই অঞ্চলটোত শোকৰ ছাঁ পেলাইছে। জানিব পৰা মতে, AS-01 QC-0519 নম্বৰৰ গৌৰীপুৰ অভিমুখী টাটা আল্ট্ৰা ট্ৰাক এখন পথৰ বাওঁফালে একেবাৰে কাষত ৰখাই থোৱা আছিল। গৌৰীপুৰৰ পৰা পশ্চিমবংগ অভিমুখী তীব্ৰ বেগী AS-01 AE-8360 নম্বৰৰ ৰাগেনাৰ বাহনখন নিয়ন্ত্ৰণ হেৰুৱাই বাওঁফালৰ পৰা সোঁফাল গৈ ট্ৰাকখনত খুন্দিয়ায়। সংঘৰ্ষ ইমানে ভয়ংকৰ আছিল ৰাগেনাৰ বাহনখন চূৰ্ণমৈ হৈ পৰে। ট্ৰাকখনৰ সন্মুখৰ অংশৰ ক্ষতি সাধন হোৱাৰ লগতে সোঁফালৰ আগচকা বেকা হৈ যায়। বিকট শব্দত পথৰ কাষৰ লোকসকল সাৰ পাই উঠি অৱস্থা বিষম দেখি আগমনি আৰক্ষীক খবৰ দিয়ে। স্থানীয় ৰাইজৰ সহযোগত আৰক্ষীয়ে দুৱাৰ ভাঙি তিনিজনক উদ্ধাৰ কৰি ততালিকে আগমনি সমূহীয়া স্বাস্থ্যকেন্দ্ৰলৈ প্ৰেৰণ কৰে। কিন্তু ইতিমধ্যে গোলকগঞ্জ থানাৰ মৰাকুৰা গাঁৱৰ ভগীৰথ ৰায়ৰ পুত্ৰ ৰাম চন্দ্ৰ ৰায় (২৩) আৰু উচিতা গাঁৱৰ জগৎ চন্দ্ৰ ৰায়ৰ পুত্ৰ ধনঞ্জয় ৰায়(২৪)ৰ মৃত্যু হয়। গুৰুতৰভাৱে আহত হোৱা মৰাকুৰাৰ হৰিশ চন্দ্ৰ প্ৰধানীৰ পুত্ৰ খনিন্দ্ৰ নাথ প্ৰধানী(২৪)ক প্ৰাথমিক চিকিৎসা কৰি সংকটজনক অৱস্থাত আৰক্ষীয়ে ধুবুৰী চিকিৎসা মহাবিদ্যালয় হাস্পাতালত প্ৰেৰণ কৰে। আনহাতে, ৰাগেনাৰত আৱদ্ধ হৈ পৰা চালকজনক জেচিবিৰে উদ্ধাৰ কৰা হয় যদিও বাহনৰ ভিতৰতে তেওঁৰ মৃত্যু হয়। চালকজন মৰাকুৰাৰ তেজেন্দ্ৰ নাথ কলিতাৰ পুত্ৰ বিকাশ কলিতা(২৩) বুলি চিনাক্ত কৰা হয়। আগমনি আৰক্ষীয়ে নিশাই মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে ধুবুৰী চিকিৎসা মহাবিদ্যালয় হাস্পাতাল লৈ প্ৰেৰণ কৰে। যুৱককেইজনে কাষৰীয়া পশ্চিমবংগৰ কোচবিহাৰৰ ৰাস মেলা চাবলৈ গৈ কৰুণ মৃত্যুক সাবটিব ল'ব লগা হোৱা ঘটনাত শোকত ভাগি পৰিছে গাঁও দুখনৰ ৰাইজ। বিশেষকৈ শীতকালত পথৰ কাষত বাহন ৰখাই থোৱাৰ বিৰুদ্ধে ব্যৱস্থা ল'বলৈ প্ৰশাসনক দাবী জনাইছে সচেতন মহলে। উল্লেখ্য যে এমাহ পূৰ্বে এঘাৰ অক্টোবৰত যোৱা নিশাৰ ঘটনাস্থলীৰ পৰা মাত্ৰ দুশ আঢ়েশ মিটাৰ নিলগত সংঘটিত হৈছিল আন এক হৃদয়বিদাৰক দুৰ্ঘটনা। পুৱতি নিশা টোপনিৰ পৰা উঠি ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত খেলি থকা চাৰিটা শিশু-কিশোৰীক মহতিয়াই নিছিল এখন তীব্ৰ বেগী বিলাসী বাহনে। ঘটনাস্থলীতে মৃত্যু হৈছিল আটাইকেইগৰাকীৰ। ইয়াৰ পূৰ্বতেও একে স্থানত সংঘটিত হৈছিল বহু কেইটা ভয়ংকৰ দুৰ্ঘটনা। মুঠতে উক্ত স্থানত ৰাষ্ট্ৰীয় ঘাইপথ অভিশপ্ত হৈ পৰিছে।




আগমনিৰ গড়েৰহাটত দুৰ্ঘটনাত ধ্বংসপ্ৰাপ্ত হৈ পৰা বাহনখন, ফটোঃ ই-সংবাদ, গোলকগঞ্জ

# হাজোৰ চৈঁচামুখত কামৰূপ সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সভা

**ই-সংবাদ, হাজো, ২৩ নৱেম্বৰঃ** হাজোৰ চৈঁচামুখ ট্ৰেনজিচন একাডেমী প্ৰাংগণত আজি কামৰূপ জিলা সাহিত্য সভাৰ এখন কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। কামৰূপ জিলা সাহিত্য সভাৰ সভাপতি ড০ নৃপেন্দ্ৰ নাথ তালুকদাৰৰ সভাপতিত্বত অনুষ্ঠিত সভাখনৰ আঁত ধৰে জিলা সম্পাদক ৰজনী শালৈয়ে। আজিৰ সভাত যোৱা কাৰ্যনিৰ্বাহক সভাৰ কাৰ্যবিৱৰণী পাঠ আৰু গ্ৰহণৰ পিছতে আগন্তুক নিৰ্বাচন সম্পৰ্কে আলোচনা কৰা হয়। সভাত অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য তথা কামৰূপ জিলা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক ৰাজেন মহন্তই নিৰ্বাচনী নিয়মাৱলী আৰু সভাপতি, উপ-সভাপতি আৰু প্ৰধান সম্পাদকৰ প্ৰাৰ্থীসকলৰ জীৱন-পঞ্জী পাঠ কৰে। এই বিষয়ত কাৰ্যনিৰ্বাহক বিষয়ববীয়া-সদস্য-সদস্যাসকলে নিজৰ নিজৰ বক্তব্য আৰু মন্তব্য প্ৰকাশ কৰি সিদ্ধান্ত গ্ৰহণ কৰে। সভাৰ অন্তত সাহিত্য সভাৰ সাংগঠনিক বিষয়তো আলোচনা কৰা হয়।

# মৰিগাঁৱৰ দন্দুৱাত ভয়ংকৰ অগ্নিকাণ্ড

**ই-সংবাদ, মৰিগাঁও, ২৩ নৱেম্বৰঃ** মৰিগাঁও চহৰৰ সমীপৱৰ্তী দন্দুৱাত যোৱা নিশা সংঘটিত এক বিধ্বংসী অগ্নিকাণ্ডত এখন ই-ৰিক্সা বিক্ৰী আৰু মেৰামতি প্ৰতিষ্ঠান সম্পূৰ্ণৰূপে জুইত ভস্মীভূত হোৱাৰ লগতে আন তিনিখনকৈ দোকান আংশিকভাৱে ক্ষতিগ্ৰস্ত হয়। প্ৰাপ্ত তথ্য মতে, দন্দুৱাৰ হাফিজিয়া আৰু ক্বাৰিয়ানা মাদ্ৰাছাখনৰ বজাৰ গৃহটোত নিশা সংঘটিত হয় এই অগ্নিকাণ্ড। দন্দুৱাৰ উক্ত মাদ্ৰাছা মাৰ্কেটখনত থকা উদীয়মান ব্যৱসায়ী মিনাৰুল হক নামৰ যুৱকজনৰ ই-ৰিক্সা বিক্ৰী আৰু মেৰামতিৰ দোকানখনত সূত্ৰপাত হৈছিল অগ্নিকাণ্ডটো। এই অগ্নিকাণ্ডত দোকানখনৰ ভিতৰত থকা চাৰিখনকৈ ই-ৰিক্সাৰ লগতে জ্বলি ভস্মীভূত হ'ল দোকানৰ আন আন সামগ্ৰীসমূহ। আনহাতে, আস্কৰ আলী নামৰ ব্যৱসায়ীজনৰ গেলামালৰ দোকান আৰু ইছলাম ষ্টেচনী নামৰ ব্যৱসায় প্ৰতিষ্ঠানটোৰ কিছু সামগ্ৰী অগ্নিকাণ্ডৰ ফলত ক্ষতিগ্ৰস্ত হয়। ইয়াৰ বিপৰীতে কৃষি বিকাশ কেন্দ্ৰ নামৰ সাৰৰ দোকান আৰু গুদাম ঘৰটোৰ বিস্তৰ ক্ষতিসাধন হয়। অগ্নিকাণ্ডৰ পিছতে মৰিগাঁৱৰ অগ্নিনিৰ্বাপক বাহিনী আৰু মৰিগাঁও সদৰ আৰক্ষী বাহিনীৰ বিশেষ তৎপৰতাত বাৰুকৈয়ে ৰক্ষা পৰে মাৰ্কেটখনৰ বহু কেইখন দোকান। অগ্নিকাণ্ডৰ প্ৰকৃত কাৰণ জানিব পৰা হোৱা নাই যদিও বিদ্যুতৰ শ্বৰ্ট চাৰ্কিটৰ ফলত এই অগ্নিকাণ্ড সংঘটিত হোৱাৰ সন্দেহ প্ৰকাশ কৰিছে স্থানীয় ৰাইজে।



অগ্নিকাণ্ডৰ দৃশ্য, মৰিগাঁৱৰ দন্দুৱাত শুকুৰবাৰে নিশা



ছিদলীৰ উপ-নিৰ্বাচনত জয়লাভৰ পিছত ইউপিপিএলৰ নিৰ্মল কুমাৰ ব্ৰহ্ম, শনিবাৰে

## বিষয়াৰ নিৰ্দেশকো ভেঙুচালি কৰি একাংশৰ অবৈধ বেহা

# আগমনিত কাঠৰ গাড়ীক লৈ আৰক্ষীৰ শ্বাসৰুদ্ধকৰ নাটক!

**ই-সংবাদ, গোলকগঞ্জ, ২৩ নৱেম্বৰঃ** ধুবুৰী জিলাৰ আগমনি থানাৰ আৰক্ষীয়ে যোৱা নিশা পশ্চিমবংগ অভিমুখী এখন অবৈধ চোৰাং কাঠ কঢ়িওৱা বাহন এৰা-ধৰাৰ নামত উৰ্ধতন বিষয়াৰ নিৰ্দেশককো ভেঙুচালি কৰি ইজনে সিজনক দোষাৰোপ কৰা ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। দীৰ্ঘদিনৰ পৰা অসম পশ্চিমবংগ সীমান্তত গঢ় লৈ উঠিছে অসমৰ বনাঞ্চল তহিলং কৰা এটা চিণ্ডিকেট চক্ৰ। অভিযোগ মতে, সহিদুল আৰু মোনাফৰ নেতৃত্বত চলা চিণ্ডিকেটে বাসবাৰী আৰু পৰ্বতঝৰা বনাঞ্চলৰ মূল্যৱান কাঠসমূহ নিতৌ নিশা বলেৰ' পিকআপ ভান আৰু অনুজ্ঞাপত্ৰহীন ইঞ্জিনচালিত তিনিচকীয়া(ঠেৰ্‌ঠেৰী) বাহনেৰে ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথেৰে নিৰ্বিঘ্নে পশ্চিমবংগলৈ চালান কৰে। এই ক্ষেত্ৰত গোপন বুজাবুজিৰ বাবে চকু মুদা কুলিৰ ভাও ধৰি বহি থাকে আৰক্ষী আৰু বন বিভাগ। বালাজান আৰক্ষী চকীত ৰিদিপ ৰায় ভাৰপ্ৰাপ্ত বিষয়া হিচাপে দায়িত্ব লৈয়ে ২০ নৱেম্বৰ আৰু ২২ নৱেম্বৰ দুই নিশাই দুখনকৈ চোৰাং কাঠ কঢ়িওৱা বাহন জব্দ কৰে। কালি নিশা চোৰাং কাঠ কঢ়িওৱা পশ্চিমবংগ অভিমুখী AS-17 C-7173 নম্বৰৰ বাহন এখন বালাজান পাৰ হোৱাৰ পিছতে কামতাপুৰ পিপলছ পাৰ্টীৰ ধুবুৰী জিলা সভাপতি নিখিল ৰায়ে আগমনি থানাৰ ভাৰপ্ৰাপ্ত বিষয়া জনৈক ডেকাক অৱগত কৰে। ইয়াৰ পিছতে তেওঁ গোলকগঞ্জ আৰক্ষী চক্ৰ পৰিদৰ্শক ৰাতুল হালৈক পুনৰ অৱগত কৰে। হালৈৰ নিৰ্দেশত ভাৰপ্ৰাপ্ত বিষয়া ডেকাই বাহনখন জব্দ কৰাৰ বাবে সহকাৰী উপ-পৰিদৰ্শক প্ৰদীপ সাহাক প্ৰেৰণ কৰে। প্ৰদীপ সাহাই বাহনখন বেলগুৰি(ৰেতিয়াদহ)ৰ কাষত জব্দ কৰে। কিন্তু কিছু সময় পিছতে কাঠ মাফিয়াৰ ফোনত তেওঁ বাহনখন এৰি দিয়ে। বাহনখনক অনুসৰণ কৰা সাংবাদিকৰ দল এটাই তৎক্ষণাৎ ভাৰপ্ৰাপ্ত বিষয়াৰ লগতে সহকাৰী উপ-পৰিদৰ্শক প্ৰদীপ সাহাক ফোনত যোগাযোগ কৰি বাহনৰ তথ্য বিচাৰে। উপায়হীন হৈ প্ৰদীপ সাহাই ধৰা বুলি জানিব দিয়াৰ লগতে উৰ্ধতন বিষয়াৰ নিৰ্দেশত এৰি দিয়া বুলি স্বীকাৰ কৰে। এই সন্দৰ্ভত পুনৰ গোলকগঞ্জ আৰক্ষী চক্ৰ পৰিদৰ্শকক যোগাযোগ কৰাৰ পিছত তৰানৰা ছিগে আগমনি আৰক্ষীৰ। অৱশেষত ৰহস্যজনকভাৱে পশ্চিমবংগ সীমান্তৰ পৰা জব্দ কৰি আনে চোৰাং কাঠ কঢ়িওৱা বাহনখন। আজি চোৰাং কাঠৰ বাহনখন ছাগলীয়া বন বিভাগক গতাই দিয়ে। অকল কাঠেই নহয়, নিতৌ আগমনি থানা এলেকাত মুকলিভাৱে গো মাংসৰ চোৰাং সৰবৰাহ চলি থকাৰ অভিযোগ উঠিছে। সমগ্ৰ ঘটনাৰ উচ্চ পৰ্যায়ৰ তদন্তৰ দাবী জনাইছে স্থানীয় ৰাইজে।

# ৰমণী মোহন ডেকাৰ তৃতীয় বাৰ্ষিক মৃত্যু বাৰ্ষিকী পালন


**ই-সংবাদ, বাইহাটা চাৰিআলি, ২৩ নৱেম্বৰঃ** কামৰূপ জিলাৰ বাইহাটা চাৰিআলিত কালি বি আৰ ন্যাসৰ প্ৰস্তাৱিত নৰ্থ ইষ্ট গ্লোৰেল ইউনিভাৰ্চিটী নামকৰণেৰে এখন বিশ্ববিদ্যালয় আৰু এই বিশ্ববিদ্যালয়ৰ লগত সংলগ্ন জুবিন গাৰ্গৰ নামত এখন ফুটবল একাডেমী স্থাপন কৰাৰ কথা আনুষ্ঠানিকভাৱে ঘোষণা কৰে। কালি বাইহাটা চাৰিআলিৰ আলিপুৱৰ বি আৰ কে ব্ৰিকছ ইণ্ডাষ্ট্ৰি চৌহদত অনুষ্ঠিত প্ৰয়াত ৰমণী ডেকাৰ তৃতীয় বাৰ্ষিকী স্মৃতিচাৰণ অনুষ্ঠানত এই কথা ন্যাসৰ হৈ ঘোষণা কৰে ন্যাসৰ আহ্বায়ক তথা উদ্যোগপতি কনক ডেকাই। নৰ্থ ইষ্ট গ্লোৰেল বিশ্ববিদ্যালয়ত বিভিন্ন ক্ষেত্ৰৰ অৰ্হতাপূৰ্ণ শিক্ষাৰ্থীৰ স্নাতকোত্তৰ, এম ফিল আৰু ডক্টৰেট ডিগ্ৰী প্ৰদানৰ বাবে শিক্ষা প্ৰদান কৰা হ'ব বুলিও এক বিবৃতিযোগে জানিবলৈ দিয়ে ন্যাসৰ আহ্বায়কগৰাকীয়ে। এই বিশ্ববিদ্যালয়খনত মধ্যম আৰু নিম্ন শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক অগ্ৰাধিকাৰ দিয়া হ'ব বুলিও উল্লেখ কৰে। আনহাতে, এই বিশ্ববিদ্যালয়ৰ অন্তৰ্গত ক্ৰীড়া ক্ষেত্ৰত উন্নতিৰ সাধনাৰ্থে 'জুবিন গাৰ্গ ফুটবল একাডেমী' নামেৰে ফুটবলৰ বাবে উন্নত প্ৰশিক্ষণ ব্যৱস্থাৰ এখন ষ্টেডিয়াম থাকিব বুলিও সদৰী কৰে। শিক্ষা, স্বাস্থ্য, ক্ৰীড়া আৰু সামাজিক উন্নয়ন মাধ্যম গঢ়ি তোলাটোৱে এই ন্যাসৰ মূল লক্ষ্য বুলি কয় ন্যাসৰ আহ্বায়ক কনক ডেকাই। কালি বাইহাটা চাৰিআলিৰ বিশিষ্ট ব্যাৱসায়ী সমাজকৰ্মী ৰমণীমোহন ডেকাৰ তৃতীয় মৃত্যুবাৰ্ষিকী উপলক্ষে বি আৰ কে ইন্দাষ্ট্ৰী চৌহদত এখনি স্মৃতিচাৰণ অনুষ্ঠানৰো আয়োজন কৰা হয়। মাল্যাৰ্পণ কৰে প্ৰয়াত ডেকাৰ সহধৰ্মিনী বিমলা ডেকা আৰু মৃতকৰ মিতা দীননাথ ডেকাই। ইয়াৰ পিছতে ভাগৱত পাঠ কৰে পবিত্ৰ ডেকাই। নীতি-আদৰ্শ সন্দৰ্ভত বিতং ব্যাখ্যা আগবঢ়ায় বাইহাটা চাৰিআলিৰ বিশিষ্ট সমাজকৰ্মী তফিক চৌধুৰীয়ে।

# ধূলাৰ পূব পদোঘাট গাঁৱৰ খেতিয়ক লোকমান আলী নিৰুদ্দেশ, থানাত এজাহাৰ দাখিল

**ই-সংবাদ, খাৰুপেটীয়া, ২৩ নৱেম্বৰঃ** দৰঙৰ ধূলা আৰক্ষী থানাৰ অন্তৰ্গত পূব পদোঘাট গাঁৱৰ বাসিন্দা তথা খেতিয়ক লোকমান আলী(৫২) নিৰুদ্দেশ হৈ থকা ঘটনাই গাঁৱখনত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। লোকমান আলীয়ে প্ৰায় চল্লিছ দিনমান আগত পথাৰত ধান খেতি চাবলৈ ওলাই গৈছিল যদিও আজিলৈ ঘৰলৈ উভতি নাহিল। ওদালগুৰি জিলাৰ চন্দনবাগানৰ এজন লোকৰ মাটি ঠিকাত লৈ লোকমান আলীয়ে ধানৰ খেতি কৰিছিল। সেই খেতি চাবলৈ যোৱা ১৬ অক্টোবৰ দিনা পুৱা চাইকেল লৈ ঘৰৰ পৰা ওলাই যোৱাৰ পিছৰে পৰা সন্ধানহীন হৈ আছে লোকজন। উল্লেখ্য যে, লোকমান আলীৰ সেই চাইকেলখন এতিয়াও মাটিৰ গৰাকীৰ ঘৰতেই আছে বুলি পৰিয়ালৰ লোকৰ পৰা জানিব পৰা গৈছে। বৰ্তমান পৰিয়ালৰ মাজত সৃষ্টি হৈছে হাহাকাৰ পৰিস্থিতিৰ। পৰিয়ালৰ লোকে পাণবাৰী আৰক্ষী চকী আৰু ওদালগুৰি থানাত ঘটনা সন্দৰ্ভত পৃথকে পৃথকে দাখিল কৰিছে এজাহাৰ। কোনো সদাশয় লোকে নিৰুদ্দিষ্ট ব্যক্তিজনৰ সন্ধান পালে 7002780893/ 6363934954 ম'বাইল নম্বৰত নাইবা ওচৰৰ আৰক্ষী থানাত যোগাযোগ কৰিবলৈ পৰিয়ালে অনুৰোধ জনাইছে।

# নলবাৰীৰ ৰাসত কাব্য সংকলন উন্মোচন

**ই-সংবাদ, নলবাৰী, ২৩ নৱেম্বৰঃ** ৯১ সংখ্যক শ্ৰীশ্ৰীহৰি মন্দিৰ নলবাৰীৰ ৰাস মহোৎসৱৰ সপ্তম দিনা তথা ২১ নৱেম্বৰত কবি ভূষণ চন্দ্ৰ ৰয়ৰ কাব্য গ্ৰন্থ 'ভাগ্যলিপি' উন্মোচন কৰা হয়। কাব্যগ্ৰন্থখন উন্মোচন কৰে জনপ্ৰিয় কবি প্ৰণৱ কুমাৰ বৰ্মনে। উন্মোচনী সভাখনত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে সাহিত্যিক সাংবাদিক দিলীপ বৰ্মনে। আমন্ত্ৰিত অতিথি হিচাপে অংশগ্ৰহণ কৰে কবি শৰৎ চন্দ্ৰ বড়ো, অৰবিন্দ কলিতা, নলবাৰী ৰাস মহোৎসৱৰ সহকাৰী সম্পাদক পংকজ বৰ্মন, হৰিমন্দিৰ পৰিচালনা সমিতিৰ সদস্য হৰেন হালৈয়ে। সভাখনৰ আঁত ধৰে কবি প্ৰতাপ দেৱনাথে। কবি প্ৰণৱ বৰ্মনে গ্ৰন্থ উন্মোচন কৰি উন্মোচনী ভাষণত কয় যে কবি ভূষণ চন্দ্ৰ ৰয়ে কাব্য সাধনাত দীৰ্ঘদিনৰ পৰা ব্ৰতী হৈ আছে। তেওঁৰ কবিতাৰ মানদণ্ড লক্ষণীয়। সভাখনত 'ভাগ্যলিপি'ৰ প্ৰণেতা ভূষণ চন্দ্ৰ ৰয়েও মনৰ অনুভৱ ব্যক্ত কৰে। বিশিষ্ট অতিথি দিলীপ বৰ্মনসহ আৰু কেইবাগৰাকী অতিথিয়ে সভাখনত বহমূলীয়া ভাষণ প্ৰদান কৰে।



ভূষণ চন্দ্ৰ ৰয়ৰ কাব্য গ্ৰন্থ 'ভাগ্যলিপি' উন্মোচন, নলবাৰীৰ ৰাসত শনিবাৰে

# আমগুৰি ৰাজহ চক্ৰৰ কাৰ্যালয় বাহাল ৰখাৰ দাবী জনাই ৰাজহ মন্ত্ৰীক স্মাৰক পত্ৰ প্ৰদান স্থানীয় ৰাইজৰ

**ই-সংবাদ, হালোৱাটিং, ২৩ নৱেম্বৰঃ** আমগুৰি ৰাজহ চক্ৰ কাৰ্যালয় বাহাল ৰখাৰ দাবী জনাই যোৱা ২২ নৱেম্বৰত আমগুৰিবাসী ৰাইজৰ এটি প্ৰতিনিধি দলে ৰাজহ মন্ত্ৰী যোগেন মোহনক সাক্ষাৎ কৰে। এই সাক্ষাতৰ সময়ত মন্ত্ৰীগৰাকীৰ সৈতে বিষয়টোৰ সন্দৰ্ভত প্ৰতিনিধি দলটোৱে আলোচনা কৰে আৰু স্পৰ্শকাতৰ সীমান্তৱৰ্তী অঞ্চলটোত এই কাৰ্যালয়টোৰ গুৰুত্ব সন্দৰ্ভত মন্ত্ৰীজনক অৱগত কৰাৰ লগতে জনসংখ্যা আৰু সমজিলা কাৰ্যালয়লৈ দূৰত্ব আদি প্ৰসংগসমূহ সামৰি এখন স্মাৰক পত্ৰ প্ৰদান কৰে। মন্ত্ৰীগৰাকীয়ে প্ৰতিনিধি দলটোক বিষয়টো গুৰুত্বৰ সহকাৰে বিবেচনা কৰা হ'ব বুলি আশ্বাস প্ৰদান কৰে। উল্লেখ্য যে, যোৱা ২২ নৱেম্বৰৰ নিশা চাৰিঙৰ হাফলুটিং বৰনামঘৰত অনুষ্ঠিত ভাওনা থলীত উপস্থিত হৈছিলহি ৰাজহ মন্ত্ৰী যোগেন মহন। আনহাতে, স্থানীয় সংবাদকৰ্মীয়ে আমগুৰি ৰাজহচক্ৰ কাৰ্যালয় বিলুপ্তিৰ সন্দৰ্ভত সোধা এক প্ৰশ্নৰ উত্তৰত মন্ত্ৰীগৰাকীয় ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয় এতিয়াই বন্ধ কৰাৰ কোনো চৰকাৰী নিৰ্দেশনা জাৰি কৰা নাই বুলি জনোৱাৰ লগতে পূৰ্বৰ কাৰ্যালয়সমূহতে ৰাইজৰ কাম-কাজ বাহাল থাকিব বুলি জনায়। ৰাইজ, জিলা আয়ুক্ত আৰু কেবিনেটৰ আলোচনা মৰ্মে পৰৱৰ্তী সময়ত এই বিষয়ত বিচাৰ-বিবেচনা কৰা হ'ব বুলি উল্লেখ কৰে মন্ত্ৰীগৰাকীয়ে।

# উত্তৰ ৰায়পুৰত মহিলাক এচিডেৰে আক্ৰমণ

**ই-সংবাদ, গোলকগঞ্জ, ২৩ নৱেম্বৰঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ অন্তৰ্গত উত্তৰ ৰায়পুৰত কালি সন্ধিয়া সাধাৰণ বিয়াকেন্দ্ৰিক কাজিয়াক লৈ এগৰাকী মহিলাক এচিডেৰে আক্ৰমণ কৰা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, গাঁওখনৰ হামিজা বিবিৰ ভতিজীৰ বিয়া হৈছিল তিনি বছৰ পূৰ্বে। বিয়াৰ অনুঘটকৰ কাম কৰিছিল আব্দুল ছফিৰ ওৰফে ক্লেয়াৰে। বিয়াৰ পিছৰে পৰা জোৱাঁয়ে যৌতুকৰ দাবীত শাৰীৰিক মানসিক নিৰ্যাতন চলাই অহাৰ লগতে ভতিজীৰ সংসাৰত চলি থকা অশান্তি, অত্যাচাৰৰ বাবে ছফিৰক জগৰীয়া কৰি প্ৰায় বাক্ বিতণ্ডা কৰি থাকে। তেনে এক কাজিয়াৰ পৰিণতিতে কালি আব্দুল ছফিৰে মহিলাগৰাকীক এচিডেৰে আক্ৰমণ কৰে। মহিলাগৰাকী অসহ্য যন্ত্ৰণা অনুভৱ কৰাত পৰিয়ালৰ লোকে ততালিকে গোলকগঞ্জ সমূহীয়া স্বাস্থ্য কেন্দ্ৰলৈ নিয়ে। চিকিৎসা সেৱা প্ৰদান কৰি গোলকগঞ্জ থানাত এখন এজাহাৰ দাখিল কৰে। ইপিনে, ঘটনা সংঘটিত কৰি অভিযুক্তই পলায়ন কৰে। আৰক্ষীয়ে ঘটনা সন্দৰ্ভত তদন্ত অব্যাহত ৰাখিছে।

# হাজোত ড্ৰাগছ সৰবৰাহকাৰী ধৃত



**ই-সংবাদ, ২৩ নৱেম্বৰ, হাজোঃ** কামৰূপ জিলাৰ হাজোত নিশা আৰক্ষীৰ অভিযানত বৃহৎ পৰিমাণ ড্ৰাগছসহ দুই সৰবৰাহকাৰী আটক হয়। নিশা এক গোপন খবৰৰ ভিত্তিত চলোৱা অভিযানত হাজো ৰাজহ চক্ৰৰ বৰ্ণি গাঁৱত হাজো আৰক্ষীয়ে আটক কৰে দুই ড্ৰাগছ সৰবৰাহকাৰীসহ ২৪টা ড্ৰাগছ ভৰ্তি কন্টেইনাৰ। আৰক্ষীয়ে আটক কৰা দুই ড্ৰাগছ সৰবৰাহকাৰী ক্ৰমে বৰ্ণি গাঁৱৰ আলিমুদ্দিন আহমেদ ওৰফে পিংকু আৰু ইছমাইল হুছেইন ওৰফে সৰু। হাজো আৰক্ষী থানাৰ পৰিদৰ্শক নৱজিৎ নাথৰ নেতৃত্বত চলা এই অভিযানত দুই সৰবৰাহকাৰীৰ পৰা আৰক্ষীয়ে প্ৰায় ২৭.৮ গ্ৰাম ড্ৰাগছ জব্দ কৰে। লগতে আৰক্ষীয়ে আটকাধীন দুই সৰবৰাহকাৰীৰ পৰা দুটাকৈ ম'বাইল ফোনো জব্দ কৰে। উল্লেখ্য যে অভিযানত আটক কৰা ড্ৰাগছ সৰবৰাহকাৰী আলিমুদ্দিন আৰু ইছমাইলে দীৰ্ঘদিন ধৰি বৰ্ণি আৰু ইয়াৰ কাষৰীয়া অঞ্চলত ড্ৰাগছৰ ব্যৱসায় চলাই অহাৰ অভিযোগ স্থানীয় ৰাইজৰ। সম্প্ৰতি হাজো আৰক্ষীয়ে অধিক তথ্যৰ বাবে দুই ড্ৰাগছ সৰবৰাহকাৰীক জেৰা অব্যাহত ৰাখিছে।

## ডিব্ৰুগড়ত জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত শ্ৰমিক কল্যাণ দিৱস উদযাপন

# চাহ জনগোষ্ঠীৰ বাটকটীয়া সন্তোষ কুমাৰ তপ্নৰ এশ বছৰীয়া জয়ন্তী পালন

**ই-সংবাদ, ডিব্ৰুগড়, ২৩ নৱেম্বৰঃ** সহকাৰী শ্ৰম আয়ুক্তৰ কাৰ্যালয় ডিব্ৰুগড় আৰু ডিব্ৰুগড় জিলা প্ৰশাসনৰ উদ্যোগত আজি ডিব্ৰুগড় জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত শ্ৰমিক কল্যাণ দিৱস উদযাপন কৰা হয়। শ্ৰমিক কল্যাণ দিৱসৰ কাৰ্যসূচীত উপস্থিত থাকে ৰাজ্যসভাৰ সাংসদ ৰামেশ্বৰ তেলী, দুলীয়াজান বিধানসভা সমষ্টিৰ বিধায়ক তেৰছ গোৱালা, মৰাণ বিধানসভা সমষ্টিৰ বিধায়ক চক্ৰধৰ গগৈ, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী তথা বৰ্তমান চাহ মজদুৰ সংঘৰ কেন্দ্ৰীয় সভাপতি পৱন সিং ঘাটোৱাৰ, জিলা আয়ুক্ত বিক্ৰম কৈৰী, প্ৰয়াত সন্তোষ কুমাৰ তপ্নৰ পুত্ৰ দয়াল তপ্ন প্ৰমুখ্যে অন্যান্য বিশিষ্ট ব্যক্তি আৰু বিভিন্ন চাহ বাগিচা তথা অন্যান্য প্ৰতিষ্ঠানৰ পৰা অহা মালিক পক্ষ আৰু শ্ৰমিকসকল। শ্ৰমিক কল্যাণ দিৱস সন্দৰ্ভত বিশেষভাৱে আলোকপাত কৰিবলৈ উপস্থিত থাকে সন্তোষ কুমাৰ তপ্ন স্মৃতি ৰক্ষা সমিতিৰ কাৰ্যকৰী সভাপতি মন্টো বাঢ়ৈ। জিলা আয়ুক্ত বিক্ৰম কৈৰীয়ে উপস্থিত সকলোকে শ্ৰমিক কল্যাণ দিৱসৰ শুভেচ্ছা জ্ঞাপন কৰি কয় যে বৰ্তমানৰ পৰিৱৰ্তিত সমাজ তথা কৰ্মক্ষেত্ৰত নিজকে খাপ খুৱাবলৈ হ'লে চাহ বাগিচাৰ লগতে অন্যান্য সকলো খণ্ডত জড়িত শ্ৰমিকসকলে গুণগত শিক্ষাৰ প্ৰসাৰত গুৰুত্ব দিব লাগিব। তেওঁ কয় যে প্ৰতিটো পিছপৰা শ্ৰেণীৰ লগতে প্ৰতিটো জাতি-জনগোষ্ঠীৰ লোকেই গুণগত শিক্ষাৰ জৰিয়তে নিজৰ লগতে সমাজ তথা ৰাজ্যখনক আগুৱাই নিয়াৰ প্ৰয়াস কৰিব লাগিব। ৰাজ্য চৰকাৰে শ্ৰমিকসকলৰ কল্যাণৰ বাবে বহু আঁচনি হাতত লৈছে বুলি উল্লেখ কৰি জিলা আয়ুক্তই সকলোকে এই আঁচনিসমূহৰ সুবিধা ল'বলৈ আহ্বান জনায়। আনহাতে, জিলা আয়ুক্তই 'সন্তোষ কুমাৰ তপ্ন'ৰ ১০০ বছৰীয়া জন্ম দিৱস উপলক্ষে প্ৰতিখন চাহ বাগিচাতে একোখনকৈ আলোচনাচক্ৰ আয়োজন কৰিবলৈ নিৰ্দেশ দিয়ে; যাতে শ্ৰমিক সমাজৰ বৰেণ্য নেতা, চাহ জনগোষ্ঠীৰ উন্নয়নৰ বাটকটীয়া, বিশিষ্ট সমাজ সংস্কাৰক সন্তোষ কুমাৰ তপ্নৰ বিষয়ে সকলো লোকেই অৱগত হয়। শ্ৰমিক কল্যাণ দিৱসৰ লগত সংগতি ৰাখি সৰ্বশ্ৰেষ্ঠ শ্ৰমিক আইন অনুসৰণকাৰী প্ৰতিষ্ঠান হিচাপে সৃষ্টি চিকিৎসালয়, সৰ্বশ্ৰেষ্ঠ ভৱিষ্যত নিধি অনুসৰণকাৰী চাহ বাগিচা হিচাপে চেঁচা চাহ বাগিচা আৰু শ্ৰেষ্ঠ চাহ বাগিচা চিকিৎসালয় হিচাপে গ্ৰীনউড বাগিচা চিকিৎসালয়ক পুৰস্কাৰ প্ৰদান কৰা হয়। ইয়াৰ লগতে এই অনুষ্ঠানতে Building and Other Construction Workers' Act, 1996 ৰ অধীনত নুৰ বেগমলৈ ৫৭,৫২০/- টকা কুলেন ৰাজখোৱাক ১,৫০,০০/- লাভালাভ বিতৰণ কৰা হয়।




চাহ জনগোষ্ঠীৰ বাটকটীয়া সন্তোষ কুমাৰ তপ্নৰ এশ বছৰীয়া জয়ন্তী পালন, ডিব্ৰুগড়ত শনিবাৰে

# ৰাইজক কন্দুৱাইছে নলবাৰীৰ বীৰেণ গেৰেজ-আইন মহাবিদ্যালয় সংযোগী পথে

**ই-সংবাদ ব্যুৰ', নলবাৰী, ২৩ নৱেম্বৰঃ** নলবাৰী চহৰৰ এটা অতি গুৰুত্বপূৰ্ণ পথৰ কদৰ্যময় অৱস্থাই ৰাইজক মাহৰ পিছত মাহ অতিষ্ঠ কৰি তোলাৰ পিছত শেহতীয়াকৈ পথটো নতুনকৈ পকীকৰণৰ ব্যৱস্থা কৰা হয় যদিও নিৰ্মাণ কাৰ্য অতি নিম্নমানৰ হোৱাৰ অভিযোগ উত্থাপিত হৈছে। প্ৰাপ্ত অভিযোগ মতে, নিৰ্মাণ কাৰ্যত হেমাহি হোৱা এই পথটো হ'ল- বীৰেণ গেৰেজৰ পৰা আইন মহাবিদ্যালয়ৰ সন্মুখৰে নলবাৰীৰ কলেজ ৰোড সংযোগী ত্ৰৈলোক্য নাথ গোস্বামী পথ। উক্ত পথটোৰে নলবাৰী চহৰৰ বহু কেইখন শিক্ষানুষ্ঠান শ শ ছাত্ৰ-ছাত্ৰী দৈনিক অহা-যোৱা কৰাৰ লগতে বহু গাড়ী-মটৰ আৰু অসংখ্য লোকে যাতায়াত কৰে। কিছুদিন পূৰ্বে অতি খৰখেদাকৈ পথটোৰ নতুনকৈ ব্লকৰ জৰিয়তে পকীকৰণৰ কাম আৰম্ভ কৰা হয় যদিও এটা অংশৰ কাম কৰিয়েই ঠিকাদাৰে কাম বন্ধ ৰখাত ৰাইজৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। পথটোৰ বেছি অংশ আগৰ ভঙা ব্লক ইটা উঠাই খলা-বমা অৱস্থাত পেলাই থোৱাত যাতায়াত বিপজ্জনক হৈ পৰিছে। ইতিমধ্যে পথটোত সৃষ্টি হোৱা গাঁতত পৰি কেইবাজনো স্কুটী আৰোহী বাগৰি পৰা বুলি স্থানীয় লোকে অভিযোগ কৰিছে। নলবাৰী জিলা লোক নিৰ্মাণ বিভাগৰ কৰ্তৃপক্ষক আঁভুৱা ভাৰি পথ নিৰ্মাণ কাৰ্য আধাতে বন্ধ ৰখা সন্দৰ্ভত জিলা প্ৰশাসনক নজৰ দিবলৈ সচেতন নাগৰিকে আহ্বান জনাইছে।

# ঘনকান্ত বৰুৱা মহাবিদ্যালয়ত নেহেৰু যুৱ কেন্দ্ৰ মৰিগাঁৱৰ জিলা যুৱ উৎসৱ

**ই-সংবাদ, লাহৰীঘাট, ২৩ নৱেম্বৰঃ** যুৱ শক্তিয়ে দেশৰ ভৰষা। যুৱ শক্তিয়েই দেশৰ ভৱিষ্যত। এখন উন্নত ৰাষ্ট্ৰৰ বাবে প্ৰয়োজন এদল বিদ্যৱান, গুণৱান, চৰিত্ৰৱান যুৱক-যুৱতীৰ দলৰ, যিয়ে দেশক সকলো ক্ষেত্ৰতে নেতৃত্ব দিব পাৰিব।- এই মন্তব্য মৰিগাঁও জিলা আয়ুক্ত দেৱাশিষ শৰ্মাৰ। যুৱ শক্তিক দেশ নিৰ্মাণৰ বাবে সুনিৰ্দিষ্ট লক্ষ্যৰে আগবাঢ়ি আহিবলৈ আহ্বান জনোৱাৰ লগতে এটা আকৰ্ষণীয় গল্পৰ জৰিয়তে উপস্থিত যুৱক-যুৱতীসকলক মন্ত্ৰমুগ্ধ কৰি তোলে মৰিগাঁও জিলা আয়ুক্ত দেৱাশিষ শৰ্মাই। আজি নেহেৰু যুৱ কেন্দ্ৰ মৰিগাঁৱে মৰিগাঁও জিলা প্ৰশাসনৰ সহযোগত ঘনকান্ত বৰুৱা মহাবিদ্যালয়ত দিনজোৱা কাৰ্যসূচীৰে আয়োজন কৰা জিলা যুৱ উৎসৱত মুখ্য অতিথি হিচাপে উপস্থিত থাকি জিলা আয়ুক্ত দেৱাশিষ শৰ্মাই নেহেৰু যুৱ কেন্দ্ৰ মৰিগাঁৱৰ যুৱ উন্নয়নৰ কাৰণে আয়োজন কৰা কাৰ্যসূচীৰ বাবে শলাগ লয় আৰু বঁটা বিজয়ী যুৱক-যুৱতীসকলক বঁটা প্ৰদান কৰাৰ লগতে অভিনন্দন জ্ঞাপন কৰে। বিশিষ্ট সাহিত্যিক মিলেশ্বৰ পাটৰে বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰা দিনজোৱা কাৰ্যসূচীৰে অনুষ্ঠিত চিত্ৰাংকন, ফটোগ্ৰাফী, কবিতা লিখা, দলীয় নৃত্য, বিজ্ঞান প্ৰদৰ্শনী আৰু বক্তৃতা প্ৰতিযোগিতাৰ লগতে সাংস্কৃতিক দলৰ তিৱা লোক নৃত্য, সত্ৰীয়া নৃত্য, বিহু নৃত্য আৰু বিভিন্ন জনগোষ্ঠীৰ সমন্বয় নৃত্যৰে উখল-মাখল পৰিৱেশৰ সৃষ্টি হয় মহাবিদ্যালয়খনত। দলীয় লোক নৃত্য প্ৰতিযোগিতাত অনিল বৰা স্মৃতি যুৱ সংঘই প্ৰথম স্থান, জোনবিল তিৱা নৃত্য দলে দ্বিতীয় আৰু বঘৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ তিৱা নৃত্য দলে তৃতীয় স্থান লাভ কৰে। যুৱ কলা প্ৰতিযোগিতাত যথাক্ৰমে ফাৰহিনা ৰহমান, পল্লৱ ঠাকুৰীয়া আৰু চিন্তু বৰাই প্ৰথম, দ্বিতীয়, তৃতীয় স্থান লাভ কৰে। ফটোগ্ৰাফী প্ৰতিযোগিতাত প্ৰাঞ্জল কাকতীয়ে প্ৰথম স্থান, জোনমণি নাথে দ্বিতীয় স্থান আৰু মনদ্বীপ ৰবি দাসে তৃতীয় স্থান লাভ কৰে। বক্তৃতা প্ৰতিযোগিতাত ছাহিনুৰ ৰহমানে প্ৰথম স্থান, মৃদুস্মিতা দাসে দ্বিতীয় স্থান আৰু গুলজাৰ হুছেইনে তৃতীয় স্থান লাভ কৰে। কবিতা লিখা প্ৰতিযোগিতাত আলিছা দাস, গাৰ্গী ভাৰতী আৰু ৰাগিনী ভাদোৰীয়া যথাক্ৰমে প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে। যুৱ মহোৎসৱৰ লগত সংগতি ৰাখি ঘনকান্ত বৰুৱা মহাবিদ্যালয়ৰ চৌহদত আয়োজন কৰা হয় এখনি আকৰ্ষণীয় প্ৰদৰ্শনী। উক্ত প্ৰদৰ্শনীত আত্মসহায়ক গোট, গ্ৰাম্য সংগঠন আৰু বিভিন্ন বিভাগৰ অংশগ্ৰহণ কৰে। নেহেৰু যুৱ কেন্দ্ৰ মৰিগাঁৱৰ গাণনিক আৰু কাৰ্যসূচী বিষয়া ধনঞ্জয় তালুকদাৰে সঞ্চালনা কৰা সভাখনত চন্দ্ৰ প্ৰধানে উদ্দেশ্য ব্যাখ্যা আৰু আদৰণি ভাষণ আগবঢ়ায়।

# জীৱনজ্যোতি জাতীয় বিদ্যালয়ৰ ১২ সংখ্যক বাৰ্ষিক অধিৱেশন আৰু মুকলি সভা



**ই-সংবাদ, সৃজনগ্ৰাম, ২৩ নৱেম্বৰঃ** আজি বঙাইগাঁও জিলাৰ কীৰ্তনপাৰাস্থিত জীৱনজ্যোতি জাতীয় বিদ্যালয়ৰ ১২ সংখ্যক বাৰ্ষিক অধিৱেশন আৰু মুকলি সভা অনুষ্ঠিত হয়। ভিতৰুৱা, পিছপৰা অঞ্চলৰ মাজত স্থাপিত ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহৰ ভিতৰত জীৱনজ্যোতি জাতীয় বিদ্যালয় বিগত কেইটামান বছৰত সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। জীৱনজ্যোতি জাতীয় বিদ্যালয়ৰ ১২ সংখ্যক বাৰ্ষিক অধিৱেশন আৰু মুকলি সভা উপলক্ষে আজি পুৱা চাফাই কাম, বিদ্যালয়ৰ পতাকা উত্তোলন, ফাতেহা ই দোৱাজ দাহমৰ বিভিন্ন কাৰ্যসূচী আৰু দুপৰীয়া ইছলামিক কুইজ প্ৰতিযোগিতা, অন্তৰংগ আলাপ অনুষ্ঠানৰ লগতে বঁটা বিতৰণ কৰে। লগতে আবেলি মুকলি সভাৰ উদেশ্য ব্যাখ্যা কৰে বিদ্যালয়খনৰ সহকাৰী শিক্ষক নৰোনবী আহমেদে আৰু প্ৰতিবেদন পাঠ কৰে বিদ্যালয়খনৰ সহকাৰী শিক্ষক আব্দুল মান্নান ছিদ্দিকীয়ে। মুকলি সভাত সভাপতিত্ব কৰে বিদ্যালয়খনৰ অধ্যক্ষ কুৰবান আলী সৰকাৰে। সভাত অথিতি হিচাপে উপস্থিত থাকি ভাষণ প্ৰদান কৰে মাণিকপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ প্ৰবক্তা আলহাজ গাজীবৰ ৰহমান, বৰইচালা মানাহপৰীয়া জুনিয়ৰ কলেজৰ অধ্যক্ষ শ্বেইখ আঃ ৰেজাক আহমেদ, কীৰ্তনপাৰা বি কে জুনিয়ৰ কলেজৰ অধ্যক্ষ আবু ছায়েদ আহমেদ, কীৰ্তনপাৰা ছানৰাইজ একাডেমীৰ অধ্যক্ষ সঞ্জয় কুমাৰ গোস্বামী, গোৱালপাৰা আঞ্চলিক জাতীয় বিদ্যালয়ৰ অধ্যক্ষ হবিবৰ ৰহমানৰ লগতে কেবাগৰাকী অতিথিয়ে।

# তিনিচুকীয়াত ‘জুৱা’ৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত

**ই-সংবাদ, ডুমডুমা, ২৩ নৱেম্বৰঃ** জাৰ্নেলিষ্ট ইউনিয়ন অৱ আছাম, চমুকৈ ‘জুৱা’(JUA)ৰ এখন ৰাজ্যিক কাৰ্যনিৰ্বাহক সভা ডিব্ৰু নৈৰ কাষৰ গুইজান(তিনিচুকীয়া)ৰ বনশ্ৰী ৰিৰ্জটত ২৫ নৱেম্বৰত দিনৰ ১.৩০ বজাত তিনিচুকীয়া জিলা সমিতিৰ আতিথ্যত অনুষ্ঠিত হ'ব। কাৰ্যনিৰ্বাহক সভাৰ পূৰ্বে ১১ বজাত ‘সংবাদ মাধ্যমত ডিজিটেল(Digital) প্ৰযুক্তিৰ প্ৰভাৱ’-শীৰ্ষক বক্তৃতানুষ্ঠানৰ লগতে এক মত বিনিময় অনুষ্ঠান অনুষ্ঠিত হ'ব। অনুষ্ঠানত মূল বক্তা হিচাপে ইণ্ডিয়ান জাৰ্নেলিষ্ট ইউনিয়ন(আইজেইউ )ৰ সভাপতি গীতাৰ্থ পাঠক উপস্থিত থকাৰ লগতে সহযোগী বক্তা হিচাপে জাৰ্নেলিষ্ট ইউনিয়ন অৱ আছামৰ সভাপতি, ইণ্টাৰনেচনেল ফেডাৰেচন অৱ ইউনিয়নৰ জেণ্ডাৰ কাউন্সিলৰ সদস্য চেমিম চুলতানা আহমেদে অংশগ্ৰহণ কৰিব। অনুষ্ঠানত অসমৰ কেবাগৰাকীও চিন্তাশীল ব্যক্তি উপস্থিত থাকিব বুলি জাৰ্নেলিষ্ট ইউনিয়ন অৱ আছামৰ তিনিচুকীয়া জিলা সমিতিৰ সভাপতি/সম্পাদকে জানিবলৈ দিছে। কাৰ্যনিৰ্বাহক সদস্যসকলক নিশা নাও আৰু ৰিৰ্জটতে থকাৰ ব্যৱস্থা কৰিছে। অনুষ্ঠানত সকলোৱে উপস্থিতি কামনা কৰিছে।

# কথা-সাহিত্যিক, বৰেণ্য ব্যক্তি ৰবীন চৌধুৰীৰ মৃত্যু দিৱসত স্মৃতিচাৰণ অনুষ্ঠান

**ই-সংবাদ, ডুমডুমা, ২৩ নৱেম্বৰঃ** চাহ নগৰী ডুমডুমাৰ সমাজ জীৱনৰ বৰেণ্য ব্যক্তি, সু-সাহিত্যিক, বিশিষ্ট শিক্ষাবিদ, সাংবাদিক তথা তিনিচুকীয়া জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ৰবীন চৌধুৰীৰ মৃত্যু দিৱস ২৩ নৱেম্বৰত ডুমডুমা শতদল শাখা সাহিত্য সভাই বিগত বছৰৰ দৰে এইবাৰো এক স্মৃতিচাৰণ অনুষ্ঠান অনুষ্ঠিত কৰে। ডুমডুমা শাখা সাহিত্য সভাৰ ভৱনত আজি বিয়লি অনুষ্ঠিত কৰা স্মৃতিচাৰণ অনুষ্ঠানত প্ৰথমে প্ৰয়াত ৰবীন চৌধুৰীৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে ডুমডুমা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ বীণাদেৱী বৰদলৈয়ে। শ্ৰদ্ধাঞ্জলি জ্ঞাপন কাৰ্য্যসূচী মুকলি কৰে ডুমডুমা শতদল শাখা সাহিত্য সভাৰ সম্পাদক তথা অসম সাহিত্য সভাৰ আমন্ত্ৰিত কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য দেবেন ডেকাই। সভাত আমন্ত্ৰিত বক্তা হিচাপে উপস্থিত থকা বীণাদেৱী বৰদলৈয়ে প্ৰয়াত ৰবীন চৌধুৰীৰ জীৱন আৰু সাহিত্য-কৃতিৰ সন্দৰ্ভত অতি সাৰুৱা বক্তব্য আগবঢ়াই উপস্থিত ৰাইজক আপ্লুত কৰে। দেৱেন ডেকাই অনুষ্ঠানটিৰ আঁত ধৰাৰ লগতে উদ্দেশ্য ব্যাখ্যাও কৰে। অনুষ্ঠানত অসম চৰকাৰৰ সাংবাদিক পেঞ্চনাৰ ধীৰেন ডেকাইয়ো ৰবীন চৌধুৰীৰ জীৱনৰ ওপৰত



বক্তব্য ৰাখে। অনুষ্ঠানত প্ৰয়াত ৰবীন চৌধুৰীৰ সান্নিধ্য লাভ কৰা তিনিচুকীয়া জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি অৰ্জুন বৰুৱাই স্মৃতি ৰোমন্থন কৰি বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত এটি গীত পৰিৱেশন কৰে লক্ষ্যজ্যোতি শইকীয়াই। অনুষ্ঠানত অৰ্জুন বৰুৱা, ডুমডুমা জ্যেষ্ঠ নাগৰিক সন্থাৰ সভাপতি গোবিন্দ ফুকন, ডুমডুমা নামঘৰ সমিতিৰ সম্পাদক অৱনী পাঠক, প্ৰবীণ কবি গোলোক ডেকা, সমাজকৰ্মী মনজিত সিং, অজিত পাঠককে আদি কৰি বহু সংখ্যক লোক উপস্থিত থাকে। জাতীয় সংগীত পৰিৱেশনৰে অনুষ্ঠানৰ সামৰণি পৰে।

# বেতবাৰীত ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা সম্পন্ন

**ই-সংবাদ, শিৱসাগৰ, ২৩ নৱেম্বৰঃ** বেতবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ গৌৰৱোজ্জ্বল মহাৰজত জয়ন্তীৰ লগত সংগতি ৰাখি অবিভক্ত শিৱসাগৰ জিলা ভিত্তিক ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতাখনিৰ দিনজোৰা কাৰ্যসূচীৰে আজি সফল সমাপ্তি ঘটে। পুৱাতে বিদ্যালয়ৰ ভূমি দাতা নীলৰাম বৰুৱাৰ প্ৰতিমুৰ্তিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে মহাৰজত জয়ন্তীৰ উদযাপন সমিতিৰ সভাপতি মুহি চেতিয়াই। বিদ্যালয়খনৰ প্ৰয়াত শিক্ষক- কৰ্মচাৰী সকলৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে ক্ৰমে বিদ্যালয়ৰ অধ্যক্ষ জয়ন্ত মাধৱ গগৈ আৰু প্ৰতিযোগিতা পৰিচালনা সমিতিৰ সভাপতি ভুৱন গগৈয়ে। ইয়াৰ পিচতেই আদৰণি ভাষন প্ৰদান কৰে উদযাপন সমিতিৰ কাৰ্যাবাহী সম্পাদক ৰঞ্জন কোঁৱৰে। প্ৰতিযোগিতাখনি উদ্বোধন কৰে প্ৰবীন বুঢ়াগোহাঁইয়ে। প্ৰতিযোগিতাখনিৰ বিচাৰকৰ আসন অধিষ্ঠিত কৰে হেম শইকীয়া, জয়ন্ত দত্ত আৰু ধৰ্ম ফুকনে। তিনিকুৰি প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰা এই প্ৰতিযোগিতাত ‘ক’ শাখাত প্ৰথম স্থান দখল কৰে আয়ুস্মান গগৈ, দ্বিতীয় স্থান দখল কৰে আৰিয়ন বৰা, তৃতীয় স্থান দখল কৰে দৃষ্টি দাস আৰু উদগনি বঁটা লাভ কৰে এড্ৰি এনি গগৈ। যুৱ প্ৰতিভা বঁটা লাভ কৰে প্ৰজ্ঞা কোঁৱৰে। ‘খ’ শাখাত প্ৰথম স্থান লাভ কৰে উৰ্মিমালা গগৈ, দ্বিতীয় স্থান লাভ কৰে শিল্পী বুঢ়াগোহাঁই, তৃতীয় স্থান লাভ কৰে দিয়া টায়ে আৰু উদগনিমূলক বঁটা লাভ কৰে আইৰিণ গগৈয়ে। বঁটাসমূহ ক্ৰমে টংকেশ্বৰ গগৈ, বেথাৰাম চেতিয়া, নীল কোঁৱৰ, স্বৰ্ণলতা চেতিয়া, ৰমানন্দ চাংমাই, ডিম্ব দুৱৰী, তিলক চেতিয়া,সত্যৰঞ্জন চেতিয়া, দুৰ্গা গগৈ আৰু অম্বেশ্বৰী চেতিয়াৰ সোঁৱৰণত বঁটাসমূহ প্ৰদান কৰা হয়।

## জনগণনা সম্পৰ্কে সভা

# মাজদিয়াত সদৌ অসম গৰীয়া জাতীয় পৰিষদৰ আঞ্চলিক সমিতি গঠন

**ই-সংবাদ, মুকালমুৱা, ২৩ নৱেম্বৰঃ** বৰপেটা জিলাৰ সৰ্থেবাৰী ৰাজহ চক্ৰৰ অন্তৰ্গত মাজদিয়াস্থিত মাজদিয়া-গৰেমাৰী গাঁও উন্নয়ন সমিতিৰ কাৰ্যালয়ত আজি বিয়লি সদৌ অসম গৰীয়া জাতীয় পৰিষদৰ বৰপেটা জিলা সমিতিৰ অধীনস্থ মাজদিয়া-গৰেমাৰী আঞ্চলিক সমিতি গঠন আৰু গৰীয়া জনগণনা সম্পৰ্কত এখন সাধাৰণ সভা অনুষ্ঠিত হৈ যায়। বিশিষ্ট অধিবক্তা আনোৱাৰ হুছেইনৰ সভাপতিত্বত অনুষ্ঠিত সাধাৰণ সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে সংগঠনটোৰ ৰাজ্যিক সমিতিৰ উপদেষ্টা কামৰুজ জামানে। সভাখনত বৰপেটা জিলা সমিতিৰ সভাপতি মুকুল আলী উপস্থিত থাকি সংগঠনটোৰ লক্ষ্য-উদ্দেশ্য সম্পৰ্কত ভাষণ প্ৰদান কৰাৰ লগতে জনগণনা সম্পৰ্কতো ভাষণ প্ৰদান কৰে। মাজদিয়া-গৰেমাৰী গাঁও উন্নয়ন সমিতিৰ সাধাৰণ সম্পাদক তথা বিশিষ্ট কবি-লেখক জিয়াউৰ ৰহমানে গৰীয়া জনগোষ্ঠীৰ ইতিহাস সম্পৰ্কত ভাষণ প্ৰদান কৰি কয় যে যিসকল মহান গৰীয়াই জাতি গঠন প্ৰক্ৰিয়াত অৰিহণা যোগাই গ'ল তেওঁলোকক আমি স্মৰণ কৰিব লাগিব। তেওঁলোকৰ বিষয়ে চৰ্চা কৰিলেহে আমি উত্তৰ পুৰুষৰ চেতনা জাগ্ৰত কৰিব পাৰিম। মাজদিয়াৰ পৰাই গৰীয়াৰ চেতনা জাগ্ৰত হৈছিল বুলি মন্তব্য কৰি চৈয়দ আব্দুল মালিকৰ 'ক'লৈ পলাবি তই' শীৰ্ষক কবিতাটো পাঠ কৰে জিয়াউৰ ৰহমানে। আজিৰ সভাখনতেই সংগঠনটোৰ মাজদিয়া-গৰেমাৰী আঞ্চলিক সমিতিখন গঠন কৰা হয়। ফাৰুক উদ্দিন আহমেদক সভাপতি, ৰাচনা আহমেদক কাৰ্যকৰী সভাপতি, আমিৰ হুছেইন, ৰফিকুল ইছলাম, আৰবিন চুলতানাক উপ-সভাপতি, ইয়াছফুৰ আলীক সাধাৰণ সম্পাদক, মইদুল ইছলাম (বাবুলি), মইনুল হক (ভাইজান), চহিদুল ইছলাম (প্ৰথম শ্ৰেণীৰ ঠিকাদাৰ)ক সম্পাদক হিচাপে লৈ ৩৩ জনীয়া শক্তিশালী আঞ্চলিক সমিতিখন গঠন কৰা হয়। সংগঠনটোৰ ৰাজ্যিক সমিতিৰ উপদেষ্টা কামৰুজ জামান, জিলা সমিতিৰ সভাপতি-সাধাৰণ সম্পাদক ক্ৰমে মুকুল আলী, ছাজিদুৰ ৰহমানে(ৰোণা) পৰ্যবেক্ষক হিচাপে উপস্থিত থাকে। সংগঠনটোৰ উপ-সভাপতি ক্ৰমে লিকুমণি বেগম, ৰফিকুল আলী, চানমহম্মদ আলী, যুৱ নেত্ৰী আৰবিন চুলতানাকে ধৰি কেইবাগৰাকীও বিশিষ্ট লোকে গৰীয়া জনগোষ্ঠীটোৰ সমস্যা সম্পৰ্কত ভাষণ প্ৰদান কৰে। উক্ত সভাখনত জিলা সমিতিৰ কেইবাগৰাকীও বিষয়ববীয়া উপস্থিত থাকে।



অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে পাৰ্থ টেষ্টৰ দ্বিতীয় দিনা দ্বিতীয় ইনিংছত কেএল ৰাহুলৰ দৃষ্টিনন্দন শ্বট, শনিবাৰে

## ২১৮ ৰানৰ অগ্ৰগতি, ১০৪ত অলআউট অষ্ট্ৰেলিয়া

# পাৰ্থত দ্বিতীয় ইনিংছত সুন্দৰ আৰম্ভণি টীম ইণ্ডিয়াৰ

**পাৰ্থ, ২৩ নৱেম্বৰঃ** পাৰ্থ টেষ্টৰ দ্বিতীয় দিনা ভাৰতে সন্তোষজনকভাৱে খেলিবলৈ সমৰ্থ হৈছে। খেল আৰম্ভ কৰিয়েই অতি কম সময়ৰ ভিতৰতে ভাৰতীয় বলাৰসকলে অষ্ট্ৰেলিয়াৰ প্ৰথম ইনিংছত বাকী থকা ৩টা উইকেট আজুৰি লয়। ফলত অষ্ট্ৰেলিয়া দলটো ১০৪ ৰানতে অলআউট হ'বলৈ বাধ্য হৈ পৰে। ভাৰতীয় অধিনায়ক যশপ্ৰীত বুমৰাহে ৫টা উইকেট দখল কৰে। হৰ্ষিত ৰাণাই দখল কৰে ৩টা উইকেট। বাকী দুটা উইকেট লাভ কৰে মহম্মদ ছিৰাজে। প্ৰথম দিনটোৰ শেষত অপৰাজিত হৈ আছিল এলেক্স কেৰী আৰু মিচেল ষ্টাৰ্ক। দ্বিতীয় দিনৰ আৰম্ভণিতে প্ৰথম অভাৰৰ প্ৰথমটো বলত বুমৰাহে কেৰীক পেভিলিয়নলৈ পঠিয়াই। তেওঁ ৩১টা বলত ২১ ৰান সংগ্ৰহ কৰে। ইয়াৰ লগে লগে বুমৰাহে টেষ্টত ১১ বাৰ ৫টা উইকেট দখল কৰি কপিলদেৱৰ শাৰীতে উপনীত হ'বলৈ সমৰ্থ হয়। দক্ষিণ আফ্ৰিকা, ইংলেণ্ড, অষ্ট্ৰেলিয়া আৰু নিউজিলেণ্ডত ৭ বাৰ ৫টা উইকেট দখল কৰাৰ অভিলেখ কপিল দেৱৰ নামত আছে। বুমৰাহে আজি সেই অভিলেখ স্পৰ্শ কৰে। অষ্ট্ৰেলিয়াৰ মাটিত দ্বিতীয়বাৰৰ বাবে ৫ উইকেট দখল কৰে বুমৰাহে। ইয়াৰ পূৰ্বে ২০১৮-১৯ বৰ্ষত মেলবৰ্ণত অনুষ্ঠিত বৰ্ডাৰ গাভাস্কাৰ ট্ৰফীৰ এখন মেচত বুমৰাহে ৬টা উইকেট দখল কৰিছিল। বুমৰাহক দ্বিতীয় দিনা প্ৰথমটো উইকেট লাভ কৰাৰ সময়ত অষ্ট্ৰেলিয়াৰ ৰান আছিল ৭০। ইয়াৰ কিছু সময়ৰ পাছতে হৰ্ষিত ৰাণাই দ্বিতীয়টো উইকেট দখল কৰে। ৰাণাৰ এটা বাউন্সাৰত কে এল ৰাহুলৰ হাতত কেচ তুলি দি আউট হয় নাথান লায়ন। তেওঁ ৫ ৰান সংগ্ৰহ কৰে। মিচেল ষ্টাৰ্কে অন্তিম উইকেটৰ যুটিত জ'ছ হেজলউডৰ সৈতে কিছু প্ৰতিৰোধৰ সৃষ্টি কৰে। ১১২টা বলত ২৬ ৰান সংগ্ৰহ কৰি ৰান আউট হয় ষ্টাৰ্ক। ইয়াৰ পিছত ভাৰতে নিজৰ দ্বিতীয় ইনিংছ আৰম্ভ কৰি এটাও উইকেট নেহেৰুৱাকৈ ৫৭ অভাৰত ১৭২ ৰান সংগ্ৰহ কৰি দিনান্তত ২১৮ ৰানৰ অগ্ৰগতি লাভ কৰিছে। অপেনাৰদ্বয় যশস্বী জয়ছোৱালে ৯০ আৰু কে এল ৰাহুলে ৬২ ৰান কৰি দ্বিতীয় দিনৰ খেলৰ শেষলৈকে অপৰাজিত হৈ ৰয়।

# ৰঙিয়াত খেল মহাৰণৰ শুভাৰম্ভ

**ই-সংবাদ, ৰঙিয়া, ২৩ নৱেম্বৰঃ** ৰঙিয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত পদুমকুঁৱৰী গাঁও পঞ্চায়ত, আৰিমত্ত গাঁও পঞ্চায়ত, বিছ্নোলা গাঁও পঞ্চায়ত, মৰাণজানা গাঁও পঞ্চায়ত আৰু বৈদ্যগড় গাঁও পঞ্চায়তত আৰম্ভ হৈছে খেল মহাৰণ। পঞ্চায়ত সমূহৰ পৃথক পৃথক খেলপথাৰত অনুষ্ঠিত খেলত অংশগ্ৰহণ কৰা খেলুৱৈসকলৰ উৎসাহ বৰ্ধনৰ বাবে খেলপথাৰত উপস্থিত থাকে গাঁও পঞ্চায়তৰ বিষয়ববীয়াৰ লগতে পঞ্চায়তৰ প্ৰাক্তন প্ৰতিনিধিসকল। খেলুৱৈসকলৰ উৎসাহ বৰ্ধনৰ বাবে নিজেও দৌৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে গাঁও পঞ্চায়তৰ একাংশ বিষয়ববীয়াই। গাঁও পঞ্চায়তৰ বিষয়ববীয়াসকলে খেলুৱৈসুলভ মনোভাৱেৰে আগুৱাই আহি নিজকে পৰিচালিত কৰিবলৈ উদীয়মান খেলুৱৈ সকলক আহ্বান জনায়। লগতে খেল মহাৰণৰ জৰিয়তে খেলুৱৈসকলে ৰাজ্যিক তথা ৰাষ্ট্ৰীয় পৰ্যায়ত সুনাম কঢ়িয়াই আনিব বুলিও আশা প্ৰকাশ কৰে।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)

কাৰ্যবাহী সম্পাদক
ধ্ৰুৱজ্যোতি ধনন্তৰি